
ৰূপালী জয়ন্তী বৰ্ষ

# শ্ৰেণী সংগ্ৰাম

২৫ বছৰ ঃ নৱম সংখ্যা ঃ চেপ্তেম্বৰ, ২০০২ মূল্য ঃ পাঁচ টকা।

## আমেৰিকাৰ পৰৱৰ্তী আক্ৰমণৰ লক্ষ্য ইৰাকক পৰিণত কৰক মধ্য–প্ৰাচ্যৰ ভিয়েটনামত !




শ্ৰেণীসংগ্ৰামৰ বিগত সংখ্যাসমূহত আমি বাৰে বাৰে সঁকীয়াই আহিছিলো যে ইৰাকৰ বিৰুদ্ধে মাৰ্কিন আক্ৰমণ আসন্ন। আনকি যোৱা জুন ২০০২ সংখ্যাত আন্তৰ্জাতিক শিতানত প্ৰকাশিত সম্পাদনা সমিতিৰ দ্বাৰা প্ৰস্তুত সংশ্লিষ্ট লেখনীটিৰ নামেই দিয়া হৈছিল - 'আমেৰিকাৰ পৰৱৰ্তী লক্ষ্য ইৰাক ঃ অভূতপূৰ্ব জনজাগৰণেৰে প্ৰতিৰোধৰ বাবে প্ৰস্তুত।' আমি পাঠকক সোঁৱৰাই দিছিলো কেনেকৈ যোৱা কে'বামাহ জুৰি আমেৰিকাই ঘোষণা কৰি আহিছে বাগদাদত চৰকাৰ সলনি হ'ব বুলি। 'কেৱল সিমানেই নহয়, এপ্ৰিলৰ শেহৰ সপ্তাহতে আমেৰিকাই ঘোষণা কৰিছিল যে অহা বছৰৰ পহিলাতে ইৰাক আক্ৰমণৰ বাবে ২,৫০,০০০ বায়ু আৰু স্থলসেনাই যুগুতাই থৈছে। বহুতৰে ধাৰণা যে পেলেষ্টাইনৰ ঘটনাবোৰ নঘটিলে ইতিমধ্যেই আমেৰিকাই ইৰাক আক্ৰমণ কৰিলেহেঁতেন।'

আজিৰ ঘটনাপ্ৰবাহে প্ৰমাণ কৰিছে যে আমাৰ সেই বিশ্লেষণ কষ্টকল্পিত নাছিল, আছিল বস্তুনিষ্ঠ। ১১ চেপ্তেম্বৰৰ প্ৰথম বাৰ্ষিকীত সৰুজনা বুশ্বে (তেওঁৰ দেউতাক অৰ্থাৎ বৰজনা জৰ্জ বুশ্বো আছিল আমেৰিকাৰ ৰাষ্ট্ৰপতি, তেওঁৰ পুতেকেই বৰ্তমান ৰাষ্ট্ৰপতি জৰ্জ উইলিয়াম বুশ্ব।) বিশ্বক দেখুৱাব লগা কৃতিত্ব একো নাছিল। এই কথা সঁচা যে যোৱা প্ৰায় নমাহজোৰা যুদ্ধত আমেৰিকাই ৪,০০০তকৈয়ো বেছি নিৰীহ আফগান নাগৰিকক হত্যা কৰি, কেইবা নিযুতক গৃহহাৰা কৰি আফগানিস্তানক ধ্বংস আৰু মৃত্যুৰ বধ্যভূমিত পৰিণত কৰিছে, মধ্য এচিয়াৰ পৰা পাকিস্তান হৈ আৰৱ সাগৰলৈ তেলৰ লাইন বহুৱাৰ বাবে 'ৰাস্তা চাফাই' কৰিছে। কিন্তু একে সময়তে এইটোও সঁচা যে কে'বাহেজাৰ কোটি ডলাৰ খৰচ কৰিও মাৰ্কিনীহঁতে এতিয়াও ওচামা বিন লাডেন আৰু মোল্লা ওমৰৰ টিকনীডাল পৰ্যন্ত বিচাৰি উলিয়াব পৰা নাই। আমি বস্তুনিষ্ঠভাৱেই ভৱিষ্যতবাণী

কৰিছোঁ যে অচিৰেই মাৰ্কিনী বাহিনী পোত যাব দীৰ্ঘস্থায়ী জনযুদ্ধৰ বোকাত। আমাৰ এই বিশ্লেষণ আফগানিস্তানৰ যোৱা কে'বা শতিকাৰ সাম্ৰাজ্যবাদ বিৰোধী দীৰ্ঘস্থায়ী জনযুদ্ধৰ ইতিহাসৰ ভিত্তিতে কৰা হৈছে। কাৰণ বিগত ২/২৫০ বছৰৰ ইতিহাসে দেখুৱায় যে সমগ্ৰ পৃথিৱীত ৰাজত্ব কৰা সময়তো ব্ৰিটিছ সাম্ৰাজ্যবাদে আফগানিস্তানক স্থায়ীভাৱে বশ কৰিব পৰা নাছিল। ৰুছ সামাজিক সাম্ৰাজ্যবাদেও দহবছৰীয়া দখল উঠাই লৈ প্ৰাণ লৈ পলাব লগা হৈছিল আফগানিস্তানৰ পৰা। সেই ৰক্তৰঞ্জিত মাটিত মাৰ্কিন সাম্ৰাজ্যবাদৰ বাবেও যে একে দশাই অপেক্ষা কৰি আছে তাত বিন্দুমাত্ৰ সন্দেহৰ থল নাই। কালি উপৰাষ্ট্ৰপতিৰ হত্যা, আজি ৰাষ্ট্ৰপতি হামিদ কাৰজাইৰ ওপৰত হত্যাৰ প্ৰচেষ্টা, আনকি এই বছৰ ১১ চেপ্তেম্বৰৰ দিনাই মাৰ্কিন সামৰিক ঘাটিত আক্ৰমণ আদি অজস্ৰ ঘটনাই প্ৰমাণ কৰি দিছে যে আগন্তুক দিনবিলাকত আফগানিস্তানত গণ-গেৰিলাযুদ্ধ হৈ পৰিব অপ্ৰতিৰোধ্য।



আফগানিস্তানৰ যুদ্ধৰ এই দীৰ্ঘস্থায়ী চৰিত্ৰ আৰু অনিবাৰ্য অন্তিম পৰাজয়ৰ কথা জানিয়েই, তাক ঢাকিবলৈকে এহাতেদি আমেৰিকাই আফগানিস্তানৰ পৰা আহিবলৈ আৰম্ভ কৰা বিপৰ্যয়ৰ বাতৰিবোৰ সম্পূৰ্ণৰূপে 'চেন্সৰ' তথা 'ব্লেকআউট' কৰিছে (আনকি মাৰ্কিন-ব্ৰিটিছ সৈন্যৰ মৃত্যুৰ বাতৰিও লুকুৱাই ৰাখিছে) আৰু আনহাতে তাৰ আক্ৰমণৰ বাবে নতুন নতুন লক্ষ্য বাচি লৈছে। বহতীয়া গুণ্ডাচৰ্দাৰ ইজৰাইলৰ হতুৱাই পেলেস্তাইন আক্ৰমণ বা শেহতীয়াকৈ আমেৰিকাৰ পৰা প্ৰত্যক্ষভাৱে ইৰাক আক্ৰমণ এই সামগ্ৰিক আঁচনিৰে অংশবিশেষ।

যোৱা ৬ চেপ্তেম্বৰৰ দিনা প্ৰায় এশখন মাৰ্কিন আৰু ব্ৰিটিছ যুদ্ধবিমানে ইৰাকৰ পশ্চিমাংশত থকা এটা প্ৰধান বায়ু-প্ৰতিৰক্ষা ঘাটিত যি প্ৰচণ্ড আঘাত হানিলে, সি আসন্ন মাৰ্কিন আক্ৰমণৰে বিউগুল বজালে। ইয়াৰ দ্বাৰাই আমেৰিকাই বিশ্বৰ এখন সাৰ্বভৌম দেশৰ স্বাধীনতা আৰু স্বতন্ত্ৰতাৰ বিৰুদ্ধেই কেৱল যুদ্ধ ঘোষণা কৰা নাই, যুদ্ধ কৰিছে সমগ্ৰ স্বাধীনতাপ্ৰিয় বিশ্ববাসীৰ বিৰুদ্ধেও।

আফগানিস্তানৰ পৰা পেলেস্তাইন হৈ ইৰাকলৈকে এই বিস্তীৰ্ণ ক্ষেত্ৰৰ এখনৰ পাছত এখন দেশ মাৰ্কিন সাম্ৰাজ্যবাদৰ উপৰ্যুপৰি আক্ৰমণৰ বলি হোৱাৰ আঁৰৰ ৰহস্য স্পষ্ট। ই এই দেশসমূহৰ মাটিৰ তলত থকা সুবৃহৎ তেলৰ ভাণ্ডাৰ লুট কৰিব বিচাৰে আৰু তাৰ বাবে তেজৰ নদী বোৱাই দিবলৈও ই পৰোৱাই নকৰে। তেলৰ এই সুবিশাল ভাণ্ডাৰৰ ওপৰত থকা মানুহবোৰ ঘটনাক্ৰমে ইছলাম ধৰ্মাৱলম্বী। আৰু সেয়েহে ই মুছলীম 'ধৰ্মান্ধ মৌলবাদ'ৰ বিৰুদ্ধে ক্ৰুছেড বা ধৰ্মযুদ্ধৰ দোহাই দি আফগানিস্তান আক্ৰমণ কৰিছিল। কিন্তু পেলেস্তাইন আৰু ইৰাকত তাৰ এই অজুহাত অলপো নাখাটে। এই দুয়োখনেই ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ, য'ত ধৰ্মান্ধতা বা মৌলবাদক ৰাষ্ট্ৰই অলপো প্ৰশ্ৰয় নিদিয়ে। দুয়ো দেশতেই চৰকাৰ তথা শাসক দলত ভালেসংখ্যক খ্ৰীষ্টিয়ান নেতা আছে। চাদ্দাম হুছেইনৰ বা'থপাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপক এজন খ্ৰীষ্টিয়ান। পাৰ্টিটো সম্পূৰ্ণ ধৰ্মনিৰপেক্ষ।

কেৱল সিমানেই নহয়, ইৰাকে গণহত্যাৰ অস্ত্ৰশস্ত্ৰ তৈয়াৰ কৰা বুলি অভিযোগ তুলি আমেৰিকাই ৰাষ্ট্ৰসংঘৰ হতুৱাই দেশখনৰ অস্ত্ৰভাণ্ডাৰবোৰ পৰিদৰ্শনৰ দাবী তুলিছিল। ইৰাকে পূৰ্বতে তেনে পৰিদৰ্শন কৰিবলৈও ৰাষ্ট্ৰসংঘক আমন্ত্ৰণো জনাইছিল। কিন্তু পাছত দেখা গ'ল ৰাষ্ট্ৰসংঘৰ ছদ্মবেশত সেয়া আমেৰিকাৰ চি.আই.এ'.ৰ চোৰাংচোৱা দলহে। ৰাষ্ট্ৰসংঘৰ পূৰ্বৰ এটা অস্ত্ৰপৰিদৰ্শক দলৰ পৰিদৰ্শক তথা আমেৰিকান-ৰিপাব্লিকান স্কট ৰিট্টাৰে নিজেই কৈছে যে, এই প্ৰস্তাৱিত যুদ্ধ আমেৰিকাৰ আভ্যন্তৰীণ ৰাজনীতিৰ লগতহে সম্পৰ্কিত। তেওঁৰ মতে ইৰাকৰ হাতত গণহত্যাৰ অস্ত্ৰপাতি নাই আৰু আন্তৰ্জাতিক সন্ত্ৰাসবাদৰ লগতো ইৰাকৰ কোনো সম্পৰ্ক নাই। ৰিট্টাৰে ইতিমধ্যে ৰাষ্ট্ৰসংঘৰ পৰিদৰ্শক দলৰ পৰা পদত্যাগ কৰি এই স্বীকাৰোক্তি কৰিছে যে সি চিআইএ'ৰ এজেন্সীৰ বাহিৰে আন একো নহয়। তেওঁ মুকলিকৈয়ে ইৰাকক পৰামৰ্শ দিছে যে আমেৰিকাৰ চিআইএ'ৰ হৈ চোৰাংচোৱাগিৰি নকৰাৰ চৰ্তত ই ৰাষ্ট্ৰসংঘৰ পৰিদৰ্শক দলক নিজৰ অস্ত্ৰভাণ্ডাৰবোৰ পৰিদৰ্শন কৰিবলৈ দিব লাগে। কিন্তু ইৰাকে আৰু এখোপ আগবাঢ়ি গৈ ঘোষণা কৰিছে যে ই বিনাচৰ্তে ৰাষ্ট্ৰসংঘৰ পৰিদৰ্শকদলক নিজৰ সমস্ত অস্ত্ৰভাণ্ডাৰ পৰিদৰ্শন কৰিবলৈ দিব।.

এই ঘোষণাৰ জৰিয়তে ইৰাকে এক গুৰুত্বপূৰ্ণ কূটনৈতিক বিজয়ো লাভ কৰিলে। আমেৰিকাই অভিযোগ কৰা ধৰণে ইয়াৰ হাতত গণ-বিধ্বংসী অস্ত্ৰ বা আনবিক অস্ত্ৰ নাই বুলিয়েই ই যিহেতু কূটনৈতিক প্ৰত্যাহ্বান জনাইছে, তাক আওকাণ কৰি ইৰাক আক্ৰমণ কৰিলে আমেৰিকাৰ চৰম কূটনৈতিক পৰাজয় হ'ব। এই ঘোষণাৰ জৰিয়তে ইৰাকে অৱশ্যে সূক্ষ্মভাৱে আৰু এটা কথাও বিশ্ববাসীক জনাই দিছে, যে ৰাসায়নিক অস্ত্ৰ অথবা আনৱিক অস্ত্ৰ নহয়, দেশৰক্ষাৰ বাবে ই মূলতঃ নিৰ্ভৰ কৰিব দীৰ্ঘস্থায়ী জনযুদ্ধৰ ওপৰত। পাৰিলে আমেৰিকাই সেই প্ৰত্যাহ্বান গ্ৰহণ কৰক।

এইখিনিতে উল্লেখযোগ্য যে আফগানিস্তান আৰু পেলেস্তাইনৰ তুলনাত ইৰাকৰ জনগণ আজি বহু বেছি সংঘবদ্ধ সুসজ্জিত, সশস্ত্ৰ অৱস্থাত আছে। তেওঁলোকৰ চেতনাৰ মানো কোনোগুণে কম নহয়। এনে পৰিস্থিতিত আমি দৃঢ়ভাৱে শ্ৰেণীসংগ্ৰামৰ যোৱা জুন,২০০২ সংখ্যাৰ এই ভৱিষ্যতবাণী দোহাৰিব পাৰোঁ ঃ

'এইদৰেই হেজাৰ প্ৰতিবন্ধকতা আৰু প্ৰতিকূলতা নেওচি বিশ্ব জনগণৰ, আৰু ঘাইকৈ তৃতীয় বিশ্বৰ জনগণৰ বিচক্ষণ আৰু মহান নেতা হিচাপে জিলিকি উঠিছে চাদ্দাম হুছেইন - নেতৃত্বাধীন ইৰাকী জনগণ। অথচ এইছোৱা সময়ত আমেৰিকা-আৰোপিত অৰ্থনৈতিক প্ৰতিবন্ধকৰ ফলত লাখ লাখ ইৰাকীয়ে প্ৰাণ হেৰুৱাইছে। যোৱা এপ্ৰিলতেই ১৬,০০০ লোকৰ মৃত্যু ঘটিছে। মাৰ্চত মৃত্যুৰ সংখ্যা ১০,০০০। এনেকৈয়ে যোৱা এঘাৰটা বছৰত ৱাশ্বিংটন আৰু লণ্ডন-আৰোপিত নিষেধাজ্ঞাৰ পৰিণতিত প্ৰাণ হেৰুৱাইছে দহ লক্ষাধিক ইৰাকীয়ে, যাৰ বেছিভাৱেই হৈছে কণকণ শিশু। পৰিস্থিতি ইমানেই ভয়াবহ যে যোৱা কেইবছৰত ইৰাকত নিযুক্ত ৰাষ্ট্ৰসংঘৰ জ্যেষ্ঠ বিষয়া ডেনিচ হেলিডে' আৰু হানচ্ ভন স্পনেকে পদত্যাগ কৰিছে। দুয়ো কৈছে যে মাৰ্কিন নিষেধাজ্ঞা গণহত্যাৰ বাহিৰে আন একো নহয়। বিশুদ্ধ খোৱাপানী, ঔষধ আৰু খাদ্যৰ অভাৱত ঘটা এই অগণন মৃত্যুৱে উদঙাই দিছে

(১৭ পৃষ্ঠাত চাওক)

সাম্প্ৰতিক

# চাহ উদ্যোগৰ মহাসংকটৰ গোমৰফাক

# বাগিছাত মজুৰী-ব'নাচৰ আন্দোলনৰ বাবে সাজু হওক!

(প্ৰস্তাৱনা ঃ শ্ৰেণীসংগ্ৰামৰ যোৱা এপ্ৰিল,২০০২ সংখ্যাত 'চাহ উদ্যোগৰ সংকট এক গোকাট অপপ্ৰচাৰ ঃ ঝাড়খণ্ডী আদিবাসী তথা অসমবাসীয়ে কাঢ়ি লওক হক অধিকাৰ!' শীৰ্ষক এটি দীঘলীয়া প্ৰবন্ধ প্ৰকাশ পাইছিল। তাৰপাছত প্ৰতিজোপা চাহগছৰ গুৰি বহু শ্ৰমিকৰ তেজৰ খমলাবে সাৰুৱা হ'ল, বহু নিযুত কিঃগ্ৰাঃ চাহ গলাধঃকৰণ হ'ল আৰু চাহৰ পিয়লাই পিয়লাই বহু ধুমুহাও সংঘটিত হ'ল। ভবা হ'ল যে আমি উক্ত প্ৰবন্ধত উল্লেখ কৰা বিষয়বোৰ সম্পৰ্কেও যাৱতীয় সন্দেহৰ নিৰসন হ'ল। কিন্তু যোৱা ১ চেপ্তেম্বৰৰ পৰা পূৰ্বচুক্তি অনুসৰি বৃদ্ধি কৰিবলগীয়া চাহ শ্ৰমিকৰ ৫.৪৫ টকাৰ মজুৰী দিবলৈকো যেতিয়া চিচিপিএই অস্বীকাৰ কৰিলে উক্ত 'মহাসংকট'ৰে দোহাই দি, তেতিয়া চাহ বাগিছাৰ সেউজ প্ৰান্তৰ ৰঙা-ৰাঙলী হৈ পৰাৰ আশংকাই দেখা দিলে। ক্ৰমবৰ্ধমান শ্ৰমিক ক্ষোভৰ ওচৰত সেও মানি অৱশেষত চিচিপিএ'ই (চাহ মালিক সংস্থাসমূহৰ যৌথ সমিতি Consultative Committee of Planters' Associations) বৰ্ধিত মজুৰী দিবলৈ সৈমান হ'ল যদিও পুনৰ অহা দুৰ্গাপূজাৰ সময়ত দিব লগা ব'নাচ ২০% হে নালাগে ৮.৩৩%ও এইবাৰ দিয়া নহ'ব বুলি এতিয়া বাতৰি ওলাইছে। (অথচ ১৯৬৫ চনৰ Payment of Bonus Act অৰ Section-X অত স্পষ্টভাৱে কোৱা হৈছে যে সংশ্লিষ্ট হিচাপ বছৰটোত উদ্বৃত্ত নাথাকিলেও প্ৰতিজন নিয়োগকৰ্তাই নূন্যতম ৮.৩৩% ব'নাচ দিবলৈ বাধ্য।) ফলত পুনৰ বাগিছাত বৰদৈচিলা বলাৰ উমান পোৱা গৈছে। The Telegraph কাকতৰ মতে উজনি অসমৰ চাহ বাগিছাবোৰৰ দলে দলে ভাৰতীয় বিষয়াই পূজাৰ বতৰত টালি-টোপোলা বান্ধি বলাবলৈ লৈছে (৩ চেপ্তেম্বৰৰ বাতৰি)। এই সংকটৰ কাৰণ হিচাপেও পুনৰ চাহ উদ্যোগৰ সংকটলৈ আঙুলিওৱাৰ ফলত আমি পুনৰ কলম তুলি ল'বলৈ বাধ্য হ'লোঁ।)



শোষণৰ যাঁতিকিলত পিষ্ট হৈও গায় যায় যি জীৱনৰ জয়গান

## নীলামবজাৰত কাৰ হাত কি চাফাই ?

নীলাম বজাৰত যে চাহৰ দাম কমিছে, সেয়া আমি দেখুৱাৰ উপৰিও তাৰবাবে দায়ী বিদেশী শক্তিটোকো সঠিকভাৱে চিনাক্ত কৰিছোঁ। আমাৰ এই চিনাক্তকৰণ ভাৰতীয় চাহ উদ্যোগৰ নেতৃবৃন্দৰ কথাৰ লগতো সংগতিপূৰ্ণ। এপ্ৰিল সংখ্যাৰ সম্পাদকীয়তে আমি লিখিছিলো, 'আনবছৰ হিন্দুস্তান লিভাৰে ১৫-৩১ ডিচেম্বৰৰ ভিতৰত ক্ৰয় কমাই দিয়ে কিন্তু যোৱাবছৰ বহু আগৰে পৰা কিনা কমাই দিয়ে। ফলত এশ টকাত বিক্ৰী হৈ থকা ভাল অসম চাহ নৱেম্বৰৰ শেহতে নব্বৈ টকালৈ নামি আহে। পাছত এই দাম আৰু কমে। দাম কমাই কমাই ক্ষুদ্ৰ চাহখেতিয়ক তথা জাতীয় পুঁজিপতিক বাগিছা বেচিবলৈ বাধ্য কৰাই হিন্দুস্তান লিভাৰৰ ৰণনীতি।' এতিয়া আমাৰ কথাৰ সমৰ্থনত আমি প্ৰত্যক্ষ তথ্য উদ্ধৃত কৰিব বিচাৰোঁ ঃ

"The sudden fall in prices can be attributed to two factors. First, Hindustan Lever, a major buyer at the auctions, has suddenly eased up on its purchases at the auction. Second the market is agog with the **rumour** that large volume of imported teas is about to land. (মন কৰক, ইয়াক rumour বুলিহে কোৱা হৈছে।) Industry source said Hindustan Lever generally slows down its purchase between December 15 and 31. "But this year it has started winding down its purchases much earlier," sources said. Good Assam Tea, selling at Rs. 100/- per Kg, has slipped to Rs. 90/- per kg. last week. "This week it is expected to go down by another Rs. 4/- per kg, a Caritt Moran executive said.

Gautam Bhalla, chairman of the export sale committee of the ITA said, 'The bid lay the private parties are so low at the auctions that the brokers have had to withdraw of the tea' (www.telegraphindia.com) কোৱা বাহুল্য যে নীলাম

বজাৰৰ দাম তললৈ নমোৱা এই "Private Party" বিলাকৰ শিৰোমণি হৈছে কুখ্যাত হিন্দুস্তান লিভাৰ।

**নীলাম বজাৰ ঃ চাহৰ মূল্য নিৰূপণৰ প্ৰকৃত আৰু একমাত্ৰ স্থান হয়নে?**

চাহ উদ্যোগৰ মহাসংকটৰ কথা যিসকলে ৰটনা কৰিছে তেওঁলোকে নীলাম বজাৰত চাহৰ মূল্য কমাকে এই সংকটৰ প্ৰধান কাৰণ তথা সূচকৰূপে দেখুৱাব বিচাৰিছে। এই সম্পৰ্কে আমাৰ দুটা মৌলিক কথা ক'ব লগা আছে। (১) নীলাম বজাৰৰ দৰ হিন্দুস্তান লিভাৰ- ইউনিলিভাৰৰ দৰে বিদেশী বহুজাতিকইঁতে কৃত্ৰিম আৰু চক্ৰান্তমূলকভাৱে তললৈ নমাই আনিছে। চাহ উদ্যোগৰ 'সংকট'ৰ প্ৰধান কাৰণ ইয়েই বুলি আমি ইতিমধ্যে প্ৰমাণ কৰিছোঁ। (২)কিন্তু তাতোকৈ ডাঙৰ কথা নীলাম বজাৰ চাহৰ প্ৰকৃত মূল্য নিৰূপণৰ প্ৰকৃত আৰু একমাত্ৰ স্থান নহয় বুলিয়েই আমি ক'ব খোজোঁ। আমাৰ স্পষ্ট কথা ঃ

ক) হিন্দুস্তান লিভাৰ-ইউনিলিভাৰৰ দৰে বৃহৎ বহুজাতিক (তথা সৰ্বভাৰতীয় বনিয়া) চাহ মালিকইঁতে এহাতেদি নীলাম বজাৰলৈ নগৈ চাহৰ দাম কৃত্ৰিমভাৱে কমায়, ২) বজাৰলৈ নিজৰ চাহ পঠাওঁতেও নিম্নমানৰ চাহহে পঠায়, আনহাতেদি নিজৰ চিটিচি, ফেনিংচ, লিকাৰিং ইত্যাদি গুণমানবিশিষ্ট চাহ বজাৰত অন্যপন্থাৰে বিক্ৰী কৰে। ৩) তৃতীয়তে নিজৰ দ্বাৰা সৃষ্ট একাংশ মধ্যভোগী (ব্ৰকাৰ) কোম্পানীৰ জৰিয়তে নীলাম বজাৰত বিক্ৰী হোৱা চাহৰ ওপৰতো দহগুণ লাভ কৰি বে-নামত কোঢ়োনাৰে ধন চপায়।

আমাৰ উক্ত স্থিতিৰ লগত অসম চাহ কৰ্মচাৰী সঙ্ঘৰ নিম্নোক্ত স্থিতিৰ তুলনা কৰি চাওক ঃ

"(৫) চাহ উৎপাদকে উৎপাদিত সামগ্ৰীৰ বিক্ৰীমূল্য নিৰ্ধাৰণৰ ব্যৱস্থা নাই। সাধাৰণতে নীলাম কেন্দ্ৰৰ যোগেদি চাহ বিক্ৰী কৰা হয়। নীলাম বজাৰত যি মূল্যত চাহ বিক্ৰী কৰা হয়, সেই চাহ মুকলি বজাৰত সাধাৰণতে দুগুণ দামত উপভোক্তাই ক্ৰয় কৰিব লাগে। উপভোক্তাই যি মূল্যত চাহ কিনে উৎপাদকে সেই মূল্য নাপায়। ফলত লাভৱান হয় একশ্ৰেণীৰ মধ্যভোগী। এই মধ্যভোগী শ্ৰেণীৰ চিনাক্ত হ'ব লাগে আৰু এই ব্যৱস্থাৰ অৱসান ঘটাই উৎপাদকে যাতে উচিত মূল্য পায় তাৰ ব্যৱস্থা কৰিব লাগে।

৬) কেৱল নীলাম কেন্দ্ৰৰ যোগেদি বিক্ৰী হোৱা মূল্যই চাহৰ বিক্ৰীমূল্য নিৰ্ধাৰণৰ মাপকাঠি হ'ব নালাগে। যিহেতু বহু বাগিছাই নীলাম বজাৰৰ বাহিৰেও অন্য পন্থাৰে চাহ বিক্ৰী কৰে আৰু সেই পন্থাৰে বিক্ৰী হোৱা চাহৰ প্ৰকাশিত মূল্য আৰু প্ৰকৃত মূল্যৰ মাজত তাৰতম্যৰ সম্ভাৱনা নথকা নহয়। তদুপৰি নীলাম কেন্দ্ৰলৈ নিম্নমানৰ চাহ প্ৰেৰণ কৰাৰ অভিযোগো শুনা যায়। সেয়েহে উৎপাদিত চাহৰ কিমান অংশ নীলাম কেন্দ্ৰৰ যোগেদি বা কোন শ্ৰেণীৰ চাহ বিক্ৰী হয় আৰু অন্য পন্থাৰে কোন শ্ৰেণীৰ কিমান চাহ কি মূল্যত বিক্ৰী হয় ইত্যাদি বিষয়সমূহৰ পৰিষ্কাৰ প্ৰতিচ্ছবিয়ে এই উদ্যোগৰ সংকটৰ সত্য নিৰূপণত সহায়ক হ'ব।"

(৯ ফেব্ৰুৱাৰী, ২০০২ তাৰিখে মুখ্যমন্ত্ৰী তৰুণ চন্দ্ৰ গগৈক দিয়া অসম চাহ কৰ্মচাৰী সংঘৰ স্মাৰকপত্ৰৰ ৫ আৰু ৬নং দফা।)

সেয়েহে চাহ উদ্যোগৰ 'মহাসংকট'ৰ ৰটনা কৰা হিন্দুস্তান লিভাৰ ইউনিলিভাৰৰ অসমীয়া বাম উকীলইঁতক আমি এই প্ৰত্যাহ্বান জনাব বিচাৰোঁ যে বিগত বছৰকিটাৰ এছোৱা সময়ত হিন্দুস্তান লিভাৰে যে নীলাম বজাৰলৈ যোৱাই নাছিল (যেনে সাদিনৰ ৭ জুন ২০০০ তাৰিখৰ খবৰ) সেইখিনি সময়ত নীলাম বজাৰত বিক্ৰী নোহোৱা কিমান চাহ পুৰি বা পুতি পেলোৱা হ'ল, তাক ৰাজহুৱাভাৱে সদৰী কৰক। ভেৰোণীয়া ভদ্ৰলোকসকলকে আমি সেই ভাৰটো দিছোঁ।

এই আলোচনাৰ ওপৰত ভিত্তি কৰিয়েই আমি ক'ব খোজোঁ যে যোৱা বছৰবিলাকত চাহ উদ্যোগৰ সংকটৰ প্ৰমাণ দিবৰ বাবে যিবোৰ তথ্য ব্যৱহাৰ কৰা হৈছে সেইবোৰ মুঠেও নিৰ্ভৰযোগ্য আৰু বিশ্বাসযোগ্য নহয়। কাৰণ ভাৰতীয় চাহ বৰ্ডৰ বাৰ্ষিক প্ৰতিবেদনসমূহত প্ৰকাশিত চাহৰ মূল্যৰ প্ৰতিচ্ছবিখন আহিল ক'ৰপৰা? নীলাম বজাৰত থকা সেই দালালসকলৰ পৰা সেই দালালসকলৰ দালালীৰ আঁৰত থকা প্ৰকৃত তথ্য উদঘাটন কৰিব পাৰিলে চাহ উদ্যোগৰ 'মহাসংকট' যে কৃত্ৰিমভাৱে সৃষ্ট সেয়া ওলাই পৰিব। তাকে কৰিবলৈ হ'লে ভাৰতীয় চাহ ব'ৰ্ডে ফাৰ্গুচন আৰু এক্‌চেন্‌চুৰেৰ দৰে আন্তৰ্জাতিক প্ৰতিষ্ঠানক এই বিষয়ে অধ্যয়ন কৰিবলৈ নিদি চাহ উদ্যোগৰ মালিক, শ্ৰমিক-কৰ্মচাৰী আৰু ক্ৰেতা ৰাইজৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত সমিতিকহে সেই দায়িত্ব দিব লাগে। আমি নিশ্চিত যে তেতিয়াই গোমৰ ফাক হ'ব। পাৰিবনে এই প্ৰত্যাহ্বান ভেৰোণীয়াসকলে গ্ৰহণ কৰিব?

**ৰেচন, মজুৰী, হস্পিতাল, স্কুল ইত্যাদি প্ৰসংগ ঃ**

হিন্দুস্তান লিভাৰৰ গোপন দৰ্মহাৰ খাতাত নাম থকা কোনোবা বুদ্ধিজীৱীয়ে এইবুলি প্ৰভুৰ হৈ আব্দাৰ জুৰিছে যে শ্ৰমিকৰ বৰ্ধিত মজুৰী, ৰেচন, চিকিৎসা, শিক্ষা আদিৰ ব্যয়ো উৎপাদন ব্যয়ত চামিল হৈ থকাত সেই বৰ্ধিত উৎপাদন ব্যয়েই চাহ শিল্পক মহাসংকটৰ ফালে ঠেলি দিছে। আমি এতিয়া এই দাবীবোৰ এটা এটাকৈ পৰীক্ষা কৰি চাওঁ ঃ

১। চাহ শ্ৰমিকৰ মজুৰী ১ চেপ্তেম্বৰৰ 'বৃদ্ধি'ৰ পাছতো দৈনিক মাত্ৰ ৪৮.৫০ টকা। এই পৰিমাণ অসমৰ কৃষি-শ্ৰমিকৰ বাবে নিৰ্ধাৰিত ন্যূনতম মজুৰীতকৈও বহু কম। তাতকৈও চমৎকাৰ কথাটো হ'ল ঃ যাৱজ্জীৱন মেহনতী কৰি চাহগছৰ গুৰিত গেলনে গেলনে তেজ, ঘাম আৰু চকুলো ঢালিও অসমৰ কোনো চাহ শ্ৰমিকেই যোৱা ডেৰশ বছৰতো প্ৰকৃতাৰ্থত স্থায়ী শ্ৰমিক হোৱা নাই, হৈছে মাত্ৰ তথাকথিত 'দিন-হাজিৰা পোৱা স্থায়ীশ্ৰমিক' (Daily rated permenant Worker)। সেয়েহে তেওঁলোকৰ মজুৰী দৈনিক-ভিত্তিত আৰু সেয়া কৃষি-শ্ৰমিকৰ সৰ্বনিম্ন মজুৰীতকৈও কম।

২। পৃথিৱীৰ ভিতৰত কেৱল ভাৰতৰ, কেৱল চাহ শ্ৰমিকসকলক ৩জনীয়া পৰিয়ালৰ ভিত্তিত নহয়, ডেৰজনীয়া পৰিয়ালৰ ভিত্তিত মজুৰী নিৰ্ধাৰণ হয় এই আজৰ যুক্তিত যে চাহ-শ্ৰমিকৰ পতি-পত্নী-ল'ৰা-ছোৱালী সকলোৱেই বাগিছাত কাম

কৰে। চাহ শ্ৰমিকৰ মজুৰী বৃদ্ধিত উদ্বিগ্ন একালৰ 'মৌ'ৰ সম্পাদক বলিনাৰায়ণ বৰাৰ উত্তৰাধিকাৰীসকলক এই নাভূত-নাশ্ৰুত শ্ৰমিকবিৰোধী স্থিতিৰ যুক্তি সাব্যস্ত কৰিবলৈ আমি প্ৰত্যাহ্বান জনালোঁ।

৩। অসমৰ চাহ শ্ৰমিকে যোৱা ৩১ আগষ্টলৈকে মজুৰী পাইছিল ৪৩.০৫ টকাকৈ আৰু সেই তাৰিখত দক্ষিণ ভাৰতৰ শ্ৰমিকে মজুৰী পাইছিল ৭৬.০০ টকাকৈ। কেৱল ঘৰ, ৰেচন আৰু খৰিৰ জৰিয়তে অসমৰ চাহ শ্ৰমিকে বাকী ৩২.৯৫ টকাৰ সমমূল্য দৈনিক আদায় পাইছিল, এই কথা চূড়ান্ত অসত্য। কাৰণ যিক্ষেত্ৰত ঘৰ বা খৰি দিয়া নহয়, সেইক্ষেত্ৰত বাগিছা কৰ্তৃপক্ষই বছৰি ক্ৰমে ৪২০ টকা আৰু ৬০০ টকাকৈ আদায় দিয়ে। প্ৰতিদিনে ৰেচনৰ বাবদ প্ৰায় ৩.০০ টকা, খৰিৰ বাবদ ১.৬৪ টকা আৰু ঘৰভাৰাৰ বাবদ ১.১৬ টকা যোগ কৰিলেও ৪৩.০৫ টকাৰ লগত মাত্ৰ ৫.৮০ টকা যোগ হৈ ৪৮.৮৫ টকাহে হয়। (১ চেপ্তেম্বৰৰ পাছতো এই পৰিমাণ হয়গৈ ৪৮.৫০+৫.৮০=৫৪.৩০)

৪। চাহ বাগিছাই বিনামূলীয়া শিক্ষা সেৱা, চিকিৎসা সেৱা আদি আগবঢ়োৱাৰ গাজাখুৰী গল্প অন্ততঃ আমাৰ আগত বকলা মেলি কোনো লাভ নাই। ১৯৯৮ চনত তাম্ৰিক ৰোগত কেৱল যোৰহাট জিলাৰ চাহবাগিছাত প্ৰাণ হেৰুৱা ১৬০ জন চাহ শ্ৰমিকৰ তালিকা আমাৰ হাতত মজুত আছে। মৃতকৰ ঘৰে ঘৰে গৈ আমি সেই তালিকা যুগুতাইছিলো (বাগিছাসমূহৰ তথাকথিত চিকিৎসাসেৱাৰ চৰজমিন তদন্তও কৰিছিলো) আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিলো কৰিছিলো। এতেকে চাহ উদ্যোগে চাহ শ্ৰমিকলৈ আগবঢ়োৱা চিকিৎসা সেৱাৰ মহিমা আমি শুনিবলৈ প্ৰস্তুত নহওঁ। একেদৰে ব্ৰিটিছৰ দিনৰ 'চি-ক্লাচ' স্কুলেৰে আৰম্ভ হোৱা বাগিছাৰ শিক্ষাসেৱাৰ স্বৰূপ উদঙাই দিব পৰা আৰু সৰ্বব্যাপি নিৰক্ষৰতাৰ পাহাৰ-প্ৰমাণ তথ্যৰে তাক পুতি পেলাব পৰা সমলো আমাৰ নথকা নহয়। চাহৰ 'বৰ্ধিত' উৎপাদন ব্যয়ৰ ভিতৰত হস্পিতালৰ সেই ৰঙা নীলা পানী আৰু মাইকীমহৰী বনাম স্কুল শিক্ষকৰ শিক্ষাৰ হিচাপ আমাক নিদিলেহে বাৰু হ'ব।

সেয়েহে কৈছোঁ, চাহশ্ৰমিক কৰ্মচাৰীৰ মজুৰী-ব'নাচ-ৰেচন ইত্যাদিৰ ব্যয়ত এনে কোনো আকস্মিক গুৰুতৰ বৃদ্ধি ঘটা নাই যাৰ ফলত হঠাৎ চাহ উদ্যোগৰ মহাসংকট সৃষ্টি হ'ব পাৰে। নীলাম বজাৰলৈ নগৈ, আনহাতে নীলাম বজাৰক চাহ-মূল্যৰ একমাত্ৰ সূচক হিচাপে দেখুৱাই মূল্যবান চাহ অন্য পদ্ধতিৰে বজাৰত বিক্ৰী কৰি এহাতেদি নিজে Superprofit কৰি আৰু আনহাতে জাতীয় পুঁজিপতি তথা ক্ষুদ্ৰ চাহ খেতিয়কক ধ্বংসৰ মুখলৈ ঠেলি দি এই সমগ্ৰ 'মহাসংকট' কৃত্ৰিমভাৱে সৃষ্টি কৰিছে বিদেশী বহুজাতিক ইউনিলিভাৰ আৰু তাৰ ভাৰতীয় সহযোগী হিন্দুস্তান লিভাৰে। আমি সেয়ে সঠিকভাৱেই কৈছিলো, 'হিন্দুস্তান লিভাৰৰ পিতৃসংস্থা ইউনিলিভাৰ য'তেই গৈছে তাতেই সি ধ্বংস আৰু সৰ্বনাশৰ তাণ্ডৱ নাচি আহিছে।'

চাহ কেৱল ভাৰতৰেই নহয়, সমগ্ৰ বিশ্বৰে এটি সৰ্বাধিক জনপ্ৰিয় পানীয়। ঘৰুৱা উপভোক্তা বজাৰৰ ইয়াৰ মূল্য প্ৰতি কিঃগ্ৰাঃত ১০০টকাতকৈও অধিক। ভাৰতত ঘৰুৱা ব্যৱহাৰৰ বাবে ২০০০ চনৰ ভিতৰতে ১০০০ নিযুত কিঃগ্ৰাঃ চাহৰ প্ৰয়োজন হ'ব বুলি চাহ ব'ৰ্ডৰ এক সমীক্ষাতে প্ৰকাশ পাইছিল। অথচ বৰ্তমান দেশে ৮৬০ / ৮৭০ নিযুত কিঃগ্ৰাঃ হে উৎপাদন কৰিবলৈ সক্ষম হৈছে। এতেকে চাহৰ বজাৰ কমাৰ কোনো আশংকা অন্ততঃ সদ্যহতে নাই। তথাপিও যি সংকটৰ পৰিমণ্ডল তৈয়াৰ কৰা হৈছে, সেই সম্পৰ্কে আমাৰ মুকলি আহ্বান ঃ জাতীয় পুঁজিপতি, ক্ষুদ্ৰ চাহখেতিয়কসকলে 'বেজীৰ জলা মনা, কুঠাৰ জলা নমনা'ৰ (চাহ শ্ৰমিকৰ মজুৰীক প্ৰধান সমস্যা বোলাৰ, হিন্দুস্তান লিভাৰৰ সৰ্বনাশী চক্ৰান্তক দেখিও নেদেখাৰ ভাও জোৰাৰ) নীতি অৱলম্বন নকৰি নীলাম বজাৰৰ কূটিল চক্ৰ ভাঙি মধ্যভোগী বৰ্জন কৰি প্ৰত্যক্ষভাৱে বজাৰত থিয় হওক।

আৰু তাৰ সমান্তৰালভাৱে শ্ৰমিক আৰু কৰ্মচাৰীসকলে নিজৰ ন্যায্য প্ৰাপ্যৰ বাবে থিয় হওক। চাহ উদ্যোগৰ তথাকথিত মহাসংকটৰ অজুহাতত বৰ্ধিত মজুৰী / ডি.ডি.এ'. আৰু ২০% ব'নাচৰ পৰা বঞ্চিত কৰাৰ যিকোনো চক্ৰান্ত মষিমূৰ কৰক। এইবেলি শাৰদীয় বতৰত সেউজ বাগিছাই বাগিছাই জংগী সংগ্ৰামৰ ক্ষেত্ৰ কৰি তোলক। তেহে চাহ উদ্যোগো বাচিব, শ্ৰমিক কৰ্মচাৰীয়েও মানুহ হিচাপে থিয়দঙা দিয়াৰ অৱকাশ পাব। ✪

শ্ৰদ্ধাঞ্জলি

## উ তিৰৎ সিং

১৯৩৪ চনৰ ১৭ জুলাইৰ দিনা ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজি শ্বহীদী বৰণ কৰা খাচী বীৰ উ তিৰৎ সিঙৰ শ্বহীদ দিৱস অলপতে মেঘালয়ত সমাৰোহেৰে সৈতে পালন কৰা হয়। উল্লেখযোগ্য যে উ তিৰৎ সিং আৰু তেওঁৰ সেনাপতি মন ভুতে ব্ৰিটিছক খাচী পাহাৰৰ পৰা চিলেট জিলালৈ এটা আলি বন্ধাৰ কামত বাধা প্ৰদান কৰাত ব্ৰিটিছে তেওঁক গ্ৰেপ্তাৰ কৰে। ১৯৩৩ চনত তেওঁক গ্ৰেপ্তাৰ কৰাৰ পৰা ১৯৩৪ চনৰ ১৭ জুলাইলৈকে তিৰৎ সিঙক চিলেট কাৰাগাৰত কাৰাৰুদ্ধ কৰি ৰখা হৈছিল।

মেঘালয়বাসীয়ে শ্বহীদজনাক শ্ৰদ্ধাৰে সোঁৱৰা সময়ত শ্ৰেণীসংগ্ৰামেও তেওঁৰ দৰে খ্যাত-অখ্যাত সকলো সাম্ৰাজ্যবাদ বিৰোধী বীৰ-বীৰাংগনা, যেনে - জেলিয়াংৰং নাগা নেত্ৰী গাইদাল্যু, মেইতেই বীৰ টিকেন্দ্ৰজিৎ আৰু ঠংগাল নাগা সম্প্ৰদায়ৰ ঠঙাল জেনেৰেল আৰু জয়ন্তীয়া বীৰ কিয়াংনাবাকো শ্ৰদ্ধা নিবেদন কৰিছে। শেহত এই কথাও উল্লেখ কৰা উচিত যে উ তিৰৎ সিং, কিয়াং নাবা আদিক পোহৰলৈ আনিছিল ভাৰতীয় গণনাট্য সংঘৰ হেমাংগ বিশ্বাসেহে। ✪

# নীলামত বিক্ৰী হ'ল সংবাদপত্ৰৰ স্বাধীনতা

❑ ত্ৰিদীব নিলিম দত্ত




যোৱা ২৫ জুন তাৰিখে ভাৰতীয় সংসদত এনে এটা বিষয় উপস্থাপন কৰা হ'ল যাৰ ফলস্বৰূপে দেশৰ সাৰ্বভৌমত্ব আৰু গণমাধ্যমসমূহৰ ভৱিষ্যৎ প্ৰায় অনিশ্চিত হৈ পৰিছে। অবাধ ক্ষমতা আহৰণৰ বাবে বিদেশী পুঁজিপতি সংস্থাসমূহে বহুদিনৰে পৰা চলাই অহা প্ৰচেষ্টাত সেও মানি কেন্দ্ৰীয় চৰকাৰে দেশীয় সংবাদ পত্ৰত ২৬% আৰু অন্যান্য আলোচনী-সাময়িকী আদিত ৭৪% পৰ্যন্ত বিদেশী বিনিয়োগৰ অনুমতি প্ৰদানৰ যো-জা কৰিছে। বিদেশী বণিক গোষ্ঠীৰ তীব্ৰ হেঁচাত প্ৰতি খোজতে কৰবকাই ফুৰা কেন্দ্ৰীয় চৰকাৰে ইয়াৰ সপক্ষে যুক্তি দিছে এনেদৰে - (ক) বৰ্তমান যিহেতু ইণ্টাৰনেটৰ যুগ, মন গ'লেই চুইচ টিপি যিকোনো খবৰ অনায়াসে পাব পৰা যায়, এতেকে বিদেশী পুঁজিয়ে সাৰ্বভৌমত্বত প্ৰভাৱ পেলোৱাৰ কোনো সম্ভাৱনা নাই। (খ) বিদেশী পুঁজিৰ বিনিয়োগৰ ফলস্বৰূপে বিভিন্ন দেশৰ পত্ৰ-পত্ৰিকা সহজলভ্য হৈ পৰিব। (গ) বিদেশী বিনিয়োগ থাকিলেও প্ৰতিখন সংবাদ পত্ৰৰে স্বাধীনতাৰ অক্ষুণ্ণতাৰ বাবে সম্পাদকমণ্ডলী আৰু পৰিচালনাৰ চাৰি তৃতীয়াংশ হ'ব ভাৰতীয়।

ৰাও চৰকাৰে ১৯৯১ চনৰ নতুন অৰ্থনৈতিক নীতি অৱলম্বন কৰাৰ পাছৰে পৰা ভাৰতে যি বিশ্বায়নৰ পথত ভৰি দিলে তাতেই অন্তিম পৰিণতি হ'ল এনে হঠকাৰী নীতিৰ প্ৰচলন। বিদেশীৰ ক্ষেত্ৰত অতি সংৰক্ষণশীল তথা স্বদেশীবাদীৰূপে খ্যাত বি.জে.পি.য়ে সেই সময়ছোৱাত কংগ্ৰেছৰ সমালোচনাত মুখৰিত হৈছিল অথচ সেই বিজেপিয়েই এতিয়া বিদেশী পুঁজিৰ সপক্ষে যুক্তি আগবঢ়াইছে।

লোলুপ দৃষ্টি দিয়াটো হ'ল পুৰণি কথা। ভাৰতৰ প্ৰতিখন বজাৰত নিজৰ আধিপত্য বিস্তাৰ আৰু ক্ষমতা অৰ্জনৰ আকাংক্ষাই প্ৰতিটো বিদেশী বণিক গোষ্ঠীক সদায়ে প্ৰলোভিত কৰি আহিছে। স্মৰ্তব্য যে, ১৯৫২ চনতো সংবাদপত্ৰত বিদেশী বিনিয়োগৰ প্ৰসংগ উত্থাপন হৈছিল। অৱশ্যে সেই সময়ৰ প্ৰথম প্ৰেছ আয়োগৰ (১৯৫২-৫৪) পৰামৰ্শানুযায়ী ১৯৫৫ চনত নেহৰু কেবিনেটে সংবাদ মাধ্যমত বিদেশী বিনিয়োগৰ প্ৰশ্ন সমূলঞ্চে নাকচ কৰিছিল।

লক্ষ্যণীয় যে, যিসমূহ বিদেশী পুঁজিপতিয়ে ভাৰতৰ সংবাদপত্ৰত বিনিয়োগ কৰিবলৈ বিচাৰিছে, সিহঁতৰ নিজৰ দেশসমূহতে এনে বহিঃ বিনিয়োগ এতিয়াও সম্ভৱ হোৱা নাই। বৰ্তমানে ভাৰতেই পৃথিৱীৰ একমাত্ৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ যি সংবাদ মাধ্যমত বিদেশী বিনিয়োগৰ অনুমতি দানেৰে এই দেশৰ দৰিদ্ৰ জনগণৰ অন্তিম ভৰষা, সাৰ্বভৌমত্ব আৰু গণতন্ত্ৰৰ মূল স্তম্ভ সংবাদ মাধ্যমক অবাধ লুণ্ঠনত সহায় কৰিবলৈ ইচ্ছুক।

চৰকাৰৰ ভাষ্যমতে ইণ্টাৰনেটৰ আধাৰত সংবাদ মাধ্যমসমূহৰ সৈতে সমগ্ৰ বিশ্ব প্ৰায় যুক্ত হৈ পৰিছে। কিন্তু এই অৰ্থেই সংবাদ মাধ্যমত বিদেশী বিনিয়োগ সহজলভ্য কৰাটো এটা যুক্তি হ'ব পাৰেনে? ইণ্টাৰনেটৰ দ্বাৰা বিদেশী সংস্থাৰ পৰা বিভিন্ন বাতৰি পোৱা যায়। কিন্তু এনে বাতৰি ক্ৰয় কৰাৰ পৰা প্ৰকাশলৈকে এই জটিল মাধ্যমটোত কোনো ক্ষেত্ৰতে বিদেশী প্ৰতিষ্ঠান, ব্যক্তিৰ হস্তক্ষেপ বা প্ৰভাৱ লক্ষ্য কৰা নাযায়। কিন্তু বৰ্তমানে এনে হস্তক্ষেপক আওকাণ কৰাটো সম্ভৱ নহয়।

লক্ষ্যণীয় যে বিদেশী পুঁজিৰ বিনিয়োগত ভাৰতৰ নিয়োগ অথবা সামগ্ৰিক উৎপাদনৰ কোনো সু-প্ৰভাৱ নপৰে। কিয়নো বৃহৎ খণ্ডসমূহৰ অবাধ বিনিয়োগৰ ফলস্বৰূপে আৰ্থিকভাৱে দুৰ্বল সংবাদপত্ৰসমূহ হয় আৰু দুৰ্বল হ'ব, অথবা মৃত্যু মুখত পৰিব। বিদেশী বিজ্ঞাপন গোষ্ঠীৰ লগত কোনোক্ষেত্ৰতে সম্পৰ্ক নথকাৰ বাবে আঞ্চলিক ভাষাৰ ক্ষুদ্ৰ সংবাদপত্ৰ বা পত্ৰিকাসমূহৰ স্বাধীনতা কিছুপৰিমাণে থাকে। সেয়েহে বিভিন্ন ক্ষেত্ৰত মুকলিকৈ সোচাৰ হোৱা এনে সংবাদপত্ৰ সমূহকেই গণতন্ত্ৰৰ মূল ভেঁটি ৰূপে চিহ্নিত কৰিব পাৰি। কিন্তু বৰ্তমানে এনে সীমিত পুঁজিৰ সংবাদ-পত্ৰ-পত্ৰিকাসমূহে বৃহৎ পুঁজিৰ সৈতে সন্মুখ সমৰত ৰত হৈ মৃত্যুৰ ক্ষণ গণিব লাগিব। ফলস্বৰূপে আঞ্চলিকভাৱে জনমত গঠনৰ প্ৰক্ৰিয়া ব্যাহত হোৱাৰ উপৰিও এচাম নতুন লেখক আৰু একোটা থলুৱা বৌদ্ধিক পৰিৱেশ নিঃশেষ হৈ পৰিব।

প্ৰকৃততে বিদেশী পুঁজিপতি সকলৰ প্ৰধান লক্ষ্য হ'ল ভাৰতীয় সংবাদ জগতত নিৰ্বিচাৰে হস্তক্ষেপ আৰু ইয়াৰ দ্বাৰা বিভিন্ন প্ৰকাৰে অবাধ বিনিয়োগ আৰু লুণ্ঠন। প্ৰথমেই বিদেশী পুঁজিপতিসকলে লাভদায়ক কাকতগোষ্ঠীৰ বিনিয়োগ কৰিব, ফলস্বৰূপে এইসমূহে বিজ্ঞাপন গোষ্ঠীৰো দৃষ্টি আকৰ্ষণ কৰিব। পৰিণতিস্বৰূপে বৃহৎ আৰু ক্ষুদ্ৰ কাকতগোষ্ঠীসমূহৰ মাজত আহি পৰা বিশাল পাৰ্থক্যই দুয়োপক্ষৰ সংঘাতো অনিবাৰ্য কৰি তুলিব।

চৰকাৰৰ এনে নীতিৰ বিৰুদ্ধে তথ্য প্ৰযুক্তি সম্পৰ্কীয় সংসদ, I.N.S., ভাৰতীয় প্ৰেছ আয়োগে তীব্ৰ বিৰোধিতা কৰিছে। আনকি বিজেপিৰে মিত্ৰদল শিৱসেনা, তেলেগু দেশম, R.S.S., S.J.M.বো সমালোচনাক চৰকাৰে অগ্ৰাহ্য কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ যুক্তি মাথোঁ এটাই যে, ইলেক্ট্ৰনিক মাধ্যমত বিদেশী মূলধনৰ বিনিয়োগৰ অনুমতি প্ৰদানৰ সময়ত কেৱল ছপা মাধ্যমক নিলগাই ৰখাৰ কোনো যুক্তি নাই।' কিন্তু পেপচি, ক'কাকোলা, ইণ্টাৰনেটৰ উপস্থিতিৰ বাবেই সংবাদ মাধ্যমকো বজৰুৱাভাৱে মুকলি কৰি বিদেশীৰ পদানত কৰোৱাৰ অৰ্থ থাকিব পাৰেনে? গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদপত্ৰ ইণ্টাৰনেট, পেপচিৰ দৰে কেৱল এটা উদ্যোগহে নে? সংবাদ পত্ৰ কি এক সুলভ পণ্য? ই জনমত, গণতান্ত্ৰিক অধিকাৰ,

সাৰ্বভৌমত্ব ৰক্ষাৰ মোক্ষম হাতিয়াৰ ৰূপে কোনোদিনেই প্ৰতিনিধিত্ব কৰা নাইনে?

যিহেতু ইতিমধ্যেই দেশীয় পুঁজিপতিৰ হাততে সংবাদপত্ৰসমূহ কলুষিত হৈ উঠিছে। অদৃশ্য নিৰ্দেশত সম্পাদনা গোষ্ঠীৰ কলমৰ দিশ ঘূৰিবলৈ বা স্তব্ধ হ'বলৈ আজি বাধ্য। সংবাদপত্ৰ আৰু সাংবাদিকতাৰ পৱিত্ৰতা এতিয়া আৰু সন্দেহৰ উৰ্ধত নহয়। তেনেস্থলত সম্পাদনা বিভাগত তিনি চতুৰ্থাংশ অংশ দেশীয় মানুহ থকাৰ বাবে চৰকাৰী নিৰ্দেশত উচ্ছাস প্ৰকাশ কৰাৰ কোনো অৰ্থ নাই। সম্পাদনা কক্ষও যে বিদেশী বিনিয়োগকাৰীৰ আঙুলিৰ ঠাঁৰত নানাচিব তাৰেই বা নিশ্চয়তা ক'ত? যি সময়ত সাংবাদিকতাৰ নৈতিক চৰিত্ৰ সম্পৰ্কে আলোচনা চলিছে, সম্পাদকৰ কলম কলুষিত হৈছে, তেনেস্থলত ডলাৰৰ ৰঙীন স্বপ্নত দেশীয় সাংবাদিকে বিদেশীৰ পদানত হৈ দেশদ্ৰোহী ষড়যন্ত্ৰত যে লিপ্ত নহ'ব তাৰেই বা গ্যাৰাণ্টী ক'ত? পাউণ্ড, ডলাৰৰ চমকনি দেখুৱাই ভাৰত আৰু ভাৰতীয়ৰ বিপক্ষেই ভাৰতীয় লেখকৰ দ্বাৰা কিতাপ, প্ৰবন্ধ লিখোৱা কামফেৰা অতি পুৰণি। (চালমন ৰাশ্বদি, ভি.এচ.নাইপলৰ সংখ্যাও বৰ কম নহয়।) কিন্তু কাকতৰ অংশীদাৰ হোৱাৰ পাছত বিদেশী গোষ্ঠীয়ে সেইকণ কষ্ট কৰাৰো কোনো প্ৰয়োজন নাথাকিব।

মালিক গোষ্ঠীৰ ব্যৱসায়িক লাভালাভক নিলগাই কেৱল পাঠকৰ কল্যাণক গুৰুত্ব দিয়া সংবাদ পত্ৰৰ সংখ্যা নগণ্য বুলিলেও বোধহয় অতিৰঞ্জিত কৰা নহ'ব। জনগণৰ প্ৰতি নিস্বাৰ্থভাৱে সেৱা কৰাৰ মনোভাৱ প্ৰায়সমূহ কাকতৰে চৰিত্ৰৰ বাহিৰত। বৰ্তমানে এনে উদাসীনতা অধিক ব্যাপক হৈ পৰিব, কিয়নো মালিকপক্ষই বিজ্ঞাপনৰ জিলিকনি আৰু বিদেশী বিনিয়োগৰ আশাত অধিক দায়বদ্ধ হ'ব সেই বিনিয়োগকাৰীসকলৰ প্ৰতিহে। উদাহৰণস্বৰূপে চৰকাৰৰ এই হঠকাৰী নীতিৰ বিৰুদ্ধে বৃহৎ কাকতসমূহে প্ৰতিবাদ সাব্যস্ত কৰিব পৰা নাই। কিয়নো তেওঁলোকে ইতিমধ্যেই বহুজাতিকৰ বান্ধোনত আৱদ্ধ হৈ নিজা স্বাধীন চিন্তা-নীতি লুপ্ত কৰিছে। বৰ্তমানৰ ১৫ টা বৃহৎ বিজ্ঞাপন গোষ্ঠীৰ ১২টাই হ'ল বিদেশী পুঁজিৰ আধাৰত গঠিত। বিজ্ঞাপনৰ বজাৰত বিদেশী পুঁজি আৰু ক্ষমতাৰ পৰিমাণ প্ৰায় ৮০%ৰো অধিক। W.P.P., T.W.T., O.W.M., B.B.D.O., D.D.B., J.W.T. ৰ দৰে বৃহৎ বিদেশী কোম্পানীৰ নিয়ন্ত্ৰণৰ বাবে খুলি দিয়া হৈছে। ভাৰতৰ বিশাল বজাৰ। সেয়েহে বিজ্ঞাপনৰ মুনাফা হেৰুৱাৰ শংকাতে বিদেশী পুঁজিৰ বিপক্ষে কোনো ক্ষেত্ৰতে সোচ্চাৰ হ'বলৈ অপাৰগ হৈ পৰিছে বৃহৎ কাকতসমূহ। উদাহৰণস্বৰূপে বিভিন্ন কেলেংকাৰীত নিমজ্জিত হৈ ধ্বংস হোৱা মাৰ্কিন বহুজাতিক কোম্পানী 'এনৰন'ৰ মহাৰাষ্ট্ৰৰ 'ডাভোল পাৱাৰ প্ৰকল্প'ৰ বিৰুদ্ধে সীমিত সংখ্যক কাকততহে আলোচনা হৈছে কিন্তু বিদেশী বিনিয়োগে সেইসমূহ কাকতকো এনে প্ৰতিবাদৰ পৰা নিলগাই ৰাখিব।

ভাৰতৰ বৰ্তমানৰ জটিল আভ্যন্তৰীণ নিৰাপত্তাৰ পৰিস্থিতিত বিদেশী বিনিয়োগৰ অনুমতি দিয়াটো অনুচিত বুলি বিভিন্ন মহলে কৰা বাৰম্বাৰ অনুৰোধকো অদূৰদৰ্শী কেন্দ্ৰীয় চৰকাৰে অগ্ৰাহ্য কৰিছে। স্মৰ্তব্য যে ভাৰতৰ প্ৰতিৰক্ষা সম্পৰ্কীয় বিভিন্ন গোপন তথ্যৰ পৰিৱেশনেৰে ইংলেণ্ড, আমেৰিকা আদিত ৰাজহুৱাকৈ জাৰ্ণাল প্ৰকাশ হৈ আহিছে। ভাৰতৰ প্ৰতিৰক্ষাৰ সম্পৰ্কে পুংখানুপুংখভাৱে জানিব বিচাৰে বৃহৎবিদেশী শক্তিসমূহে। তেনেস্থলত সংবাদপত্ৰত বিদেশী শক্তিৰ হস্তক্ষেপে ভাৰতৰ আভ্যন্তৰীণ নিৰাপত্তাত নকৰিব কি?

স্মৰণ কৰক - কেৱল প্ৰশংসা লাভৰ বাবেই চন্দ্ৰবাবু নাইডুৱে বিল ক্লিণ্টনক বিভিন্ন আনৱিক আৰু প্ৰতিৰক্ষাৰ স্থানসমূহ পৰিদৰ্শন কৰোৱাইছিল। ফলস্বৰূপে হ'ল কি? ভাৰতৰ এই আনৱিক সংস্থাসমূহ অতিশয় বিপদজনকৰূপে ৰাষ্ট্ৰসংঘৰ মজিয়াত উন্মোচন কৰোৱা হ'ল। অথচ তাতোকৈ অধিক বিপদজনক ৰূপত আছে মাৰ্কিন প্ৰশাসনৰ আনৱিক সংস্থাসমূহ। বহিঃৰাষ্ট্ৰৰ আনৱিক ক্ষেত্ৰত চকুৰ পোৰণি উঠা মাৰ্কিন প্ৰশাসনৰ এয়া এটা সামান্য উদাহৰণ।

এনে বিদেশী কাকতৰ আগমনৰ ফলত ভাৰতক অসভ্য, সংস্কৃতিহীন, অসুৰক্ষিত, ধৰ্মান্ধ ৰাষ্ট্ৰৰূপে সমগ্ৰ বিশ্বৰ সন্মুখতে চিনাকি কৰাই দি বিদেশী যৌন সংস্কৃতি আৰু পৰ্ণগ্ৰাফৰ অবাধ প্ৰচলন কৰাত উন্মত্ত হৈ পৰিব বিদেশী বণিক গোষ্ঠী। সেয়েহে ভাৰতৰ স্বাধীনতা আন্দোলন আৰু জাতীয়তাবাদ গঠনৰ ক্ষেত্ৰত সংবাদপত্ৰসমূহৰ দেশপ্ৰেম আৰু সাহসিকতাৰ যি ঐতিহাসিক গুৰুত্ব বিচাৰি পোৱা গৈছিল সেয়া অনাগত ক্ষণত লুণ্ঠিত হৈ পৰাৰ সম্ভাৱনা আছে।

বৰ্তমানে কেৱল টিভিয়ে ৪০ নিযুত, ইণ্টাৰনেটে ৬ নিযুত আৰু তাৰ বিপৰীতে সংবাদ পত্ৰই প্ৰায় ১৮০ নিযুত গ্ৰাহক সামৰি লোৱাৰ কৃতিত্ব অৰ্জন কৰিছে। আনকি যোৱা দশকত প্ৰায় ২০% পঢ়ুৱৈ বৃদ্ধি পাইছে। ইয়াৰ পৰাই বুজিব পাৰি ভাৰতত সংবাদ পত্ৰৰ ভূমিকা কিমান বিস্তৃত আৰু গভীৰ।

সংবাদ পত্ৰত বিদেশী বিনিয়োগৰ ফলত অধিক জনকল্যাণমুখী হোৱাৰ সুবিধা হোৱাৰ আশা কৰা সকলে ক'ব বিচাৰে - পৃথিৱীত এনে কোনো মূৰ্খ পুঁজিপতি ওলাবনে যি বিনিয়োগ কৰাৰ অন্তৰালত জনস্বাৰ্থতকৈ ব্যৱসায়িক স্বাৰ্থক আগস্থান নিদিব! যদিহে বিনিয়োগৰ উদ্দেশ্য কেৱল জনকল্যাণমুখীহে, তেন্তে সংবাদপত্ৰত বিনিয়োগৰ অধিকাৰ বিচাৰি বহুদিনৰ পৰা চৰকাৰক হেঁচা দি থকাৰ অৰ্থ কি? ভাৰতীয়ৰ প্ৰতি বিদেশী কোম্পানীৰ এনে কোনো মানৱীয় অথবা নৈতিক দৰদ নাই যি কোটি কোটি ডলাৰ বিনিয়োগ কৰিব কেৱল জনস্বাৰ্থৰ বাবে।

বিদেশী বিজ্ঞাপন গোষ্ঠীৰ দ্বাৰা বিভিন্ন প্ৰকাৰে প্ৰভাৱান্বিত হোৱাৰ সম্ভাৱনাত ভোগ্য-পণ্যৰ প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱে ভাৰতীয় সমাজ-ব্যৱস্থাক গভীৰভাৱে স্পৰ্শ কৰি যাব। সাগৰৰ পানীত মৰা এটা টোকৰৰ কম্পনাংক যিদৰে সমগ্ৰ সাগৰলৈ অতি সূক্ষ্মভাৱে বিয়পি যায় ঠিক সেইদৰে এনে হঠকাৰী সিদ্ধান্তৰ প্ৰতিক্ৰিয়া ভাৰতৰ সংস্কৃতি, মূল্যবোধ, অৰ্থনীতি, সাৰ্বভৌমত্ব, অধিকাৰকে ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বিয়পি পৰিব। বহুজাতিক কোম্পানীৰ অক্টোপাছীয় পাশত যাতে ভাৰতৰ জনমত গঠনৰ প্ৰক্ৰিয়া আৰু সাৰ্বভৌমত্ব লুণ্ঠিত হৈ নপৰে তাৰ বাবেই এনে নীতিৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ অপৰিহাৰ্য আৰু সময়োপযোগী হৈ পৰিছে। ✪

দলিল

# নাগা জনসাধাৰণৰ আত্মনিৰ্ধাৰণ সম্পৰ্কত এটি চমু প্ৰতিবেদন

(ভাৰত চৰকাৰ আৰু এন.এচ.চি.এন. (ইশ্বাক-মুইভাৰ মাজত বিদেশত কেইবালানিও আলোচনাৰ পাছত নাগা আত্মনিৰ্ধাৰণ আন্দোলনটোৰ এক ৰাজনৈতিক মীমাংসাৰ সম্ভাৱনা দেখা গৈছে। শ্ৰেণীসংগ্ৰামে এন.এচ.চি.এন.ৰ লগত যুদ্ধবিৰতি চুক্তি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল জুৰি প্ৰযোজ্য হোৱাৰ পক্ষে, লগতে নাগালেণ্ডৰ উপৰিও অসম, মণিপুৰ, অৰুণাচল আৰু ম্যানমাৰত থকা নাগাসকলৰ একত্ৰীকৰণৰ পক্ষে মতামত পোষণ কৰি আহিছে। ইয়াত প্ৰকাশিত নাগা জনগণৰ মানৱাধিকাৰ আন্দোলন (Naga Peoples' Movement for Human Rights; NPMHR)-ৰ দলিলটোৰ পৰা আমি আন্দোলনটোৰ সম্পৰ্কে এটা প্ৰাথমিক ধাৰণা ল'ব পাৰিম। দলিলটোৰ অনুবাদ কৰিছে **প্ৰত্নৃাসপ্ৰাণ হাজৰিকাই**। - সম্পাদক, শ্ৰেণীসংগ্ৰাম)।



**ভূভাগ আৰু ইয়াৰ জনসাধাৰণ ঃ** উত্তৰ পূব ভাৰতৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, নাগালেণ্ড আৰু পূৰ্ব বাৰ্মা (বৰ্তমানৰ ম্যানমাৰ) হ'ল নাগাসকলৰ বসতিস্থান। প্ৰায় ২৩°৫০´´ অক্ষাংশৰ পৰা ২৫°৩০´´ অক্ষাংশৰ উত্তৰ আৰু কৰ্কটক্ৰান্তি ৰেখাৰ ৯৩°১০´´ দ্ৰাঘিমাংশৰ পৰা ৯৪°৩০´´ পূৰ্ব দ্ৰাঘিমাংশ জুৰি নাগাভূমিৰ বিস্তৃতি।

নাগাসকলৰ বিকাশৰ উৎস সম্পৰ্কে বিভিন্ন তত্ত্ব আগবঢ়োৱা হৈছে। ইয়াৰে এটা প্ৰধান তত্ত্ব অনুসৰি নাগাসকল মূল ভূখণ্ড আৰু ইৰাৱতী চান্দউইন উপত্যকাইদি পাৰ হৈ আহে আৰু লাহে লাহে বাৰ্মাৰ থাংভুট (টাংখুল ভাষাত ইয়াক চমচোক ৰূপে উচ্চাৰণ কৰা হয়) আৰু মখেল (মণিপুৰ) অঞ্চললৈ বিয়পি পৰে।

**নাগা জনজাতিসকল ঃ** নিজা ভাষা-সংস্কৃতি, সামাজিক-জীৱন শৈলীৰ দিশৰ পৰা মুঠ চল্লিশটাতকৈও অধিক নাগা জনজাতিৰ শাখা-প্ৰশাখা আছে। এই বৈচিত্ৰ্যৰ মাজতো বহু উমৈহতীয়া সাদৃশ্যই তেওঁলোকক একগোট হৈ থকাত সহায় কৰিছে। নাগা আত্মনিৰ্ধাৰণৰ প্ৰক্ৰিয়াই মানুহ হিচাপে জীয়াই থকা এই সংগ্ৰামক আৰু অধিক শক্তিশালী কৰি তুলিছে।

**প্ৰাকৃতিক সম্পদৰাজি ঃ** ঘন সেউজীয়া অৰণ্যৰে পৰিপূৰ্ণ নাগাভূমি প্ৰাকৃতিক সম্পদৰ কালৰ পৰা চহকী। মুঠ ভূভাগৰ ৮০ৰ পৰা ৯০% অৰণ্যৰে আবৃত নাগালেণ্ডত পৰ্যাপ্ত পৰিমাণে বিভিন্ন প্ৰজাতিৰ অৰ্কিড পোৱা যায়। পৃথিৱী বিখ্যাত চিৰুই পদ্ম উখৰাল জিলাত পোৱা যায় বন্য জীৱৰ ভিতৰত আটাহ পৰা হৰিণ, নাহৰফুটুকী বাঘ আদি প্ৰধান। পৰ্যাপ্ত পৰিমাণে সঞ্চিত থকা সাৰুৱা তেল, ক্ৰমাইট, কয়লা আৰু লোণ, নিকেল, তাম, ৰূপ, সোণ আদিৰে নাগাভূমি খনিজ সম্পদতো চহকী।

**নীতি-নিয়ম আৰু পৰম্পৰা ঃ** পৰম্পৰাৰ দিশৰ পৰা নাগাসকল অতি চহকী আৰু মৌখিকভাৱে এই পৰম্পৰা এটা প্ৰজন্মৰ পৰা আন এটালৈ সৰবৰাহ কৰা হয়। পৰম্পৰাগতভাৱেই নাগাসকল স্বয়ংসম্পূৰ্ণ এখন গ্ৰাম্যৰাষ্ট্ৰত বাস কৰে আৰু একোজন মুৰব্বীৰ দায়িত্বত থাকে। দুটা বা তিনিটা খেল / ফৈদেৰে গাঁওখন গঠন হয়। প্ৰত্যেক খেলেই সৰ্বসন্মতিক্ৰমে গাঁও পৰিষদলৈ একোজন সদস্য মনোনীত কৰে। এই গণতান্ত্ৰিক পদ্ধতিয়ে নাগা মুখীয়ালজনক স্বেচ্ছাচাৰী শাসকৰ ৰূপ লোৱাত বাধা দিব পাৰে। গাঁওখনৰ মাটিখিনি সমূহীয়া অংশীদাৰী, কোনো ফৈদ বা খেলৰ আৰু ব্যক্তিগত মালিকানা - এই তিনিটা ভাগত ভাগ কৰা হয়।

নাগাসকলৰ মাজত ভিন্ন খেলৰ মাজত বিয়া কৰোৱা প্ৰথা বিদ্যমান। তেওঁলোক কৃষিজীৱী আৰু অধিকাংশ কামেই খেতি-বাতিক কেন্দ্ৰ কৰি পৰিচালিত হয়। খেতিবাতি কৰা, খাদ্য সংগ্ৰহ, জীৱ-জন্তু চৰোৱা, গৃহনিৰ্মাণ, চিকাৰ আদি অন্যান্য কামবিলাক সমূহীয়াভাৱে কৰা হয়। এই সমাজত মুখীয়াৰ পুত্ৰ আৰু এজন সাধাৰণ লোকৰ মাজত কোনো প্ৰভেদ নাই। যিকোনো এজন নাগা লোকেই স্বপ্ৰচেষ্টাৰে সমাজত প্ৰগতিৰ জখলাত বগাব পাৰে। ইয়াৰ বাবে মাত্ৰ পৰম্পৰাগত পদ্ধতি অনুসৰি সমূহ গাঁওবাসীক যিমান পাৰি সিমান সা-সম্পত্তি বিলাই দিয়াৰ প্ৰয়োজন। সেয়ে সাংস্কৃতিকভাৱে নাগাসকল গণতান্ত্ৰিক সমাজ-ব্যৱস্থা, শাসন প্ৰণালীৰ দিশৰ পৰা সু-স্পষ্ট জাতি আৰু..

**নাগা জাতীয়তাবাদ ঃ** ১৯৩২ চনত ব্ৰিটিছ সাম্ৰাজ্যবাদীহঁতৰ আগমন নাগা ৰাইজে পোন প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষ কৰে। কেইজনমান নাগা লোকৰ ফ্ৰান্সৰ পৰা প্ৰত্যাগমন আৰু নাগা ক্লাব গঠন - এই দুই ঘটনাৰ পাছতেই, ১৯১৮ চনত পোন প্ৰথমবাৰৰ বাবে সংগঠিত ভাৱে নাগাসকলে যুঁজ আৰম্ভ কৰে। ১৯২৯ চনৰ ১০ জানুৱাৰীত চাইমন আয়োগ ভাৰতলৈ আহে আৰু নাগাক্লাবে তেওঁলোকক ইয়াৰ পৰা আঁতৰত ৰখাৰ আবেদন জনায়। এখন স্বাধীন ৰাষ্ট্ৰৰ পোষকতা কৰা এইখনেই আছিল প্ৰথম লিখিত দস্তাবেজ। ১৯৪৫ চনত নাগা জাতীয় পৰিষদ (Naga National Council চমুকৈ NNC) গঠন হয় আৰু ই আত্মনিৰ্ধাৰণৰ প্ৰসংগত উল্লেখনীয় প্ৰচেষ্টা হাতত লয়। নাগাভূমিতো হোৱা দ্বিতীয় বিশ্বযুদ্ধই নাগা ৰাইজৰ মনত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হয়।

১৯৪৭ চনৰ জুন মাহত 'ভাৰতীয় বৃটিছ চৰকাৰে' নাগা জাতীয় পৰিষদক নাগাসকলৰ একমাত্ৰ জাতীয় ৰাজনৈতিক সংগঠন ৰূপে স্বীকৃতি দি Nine point agreement বা হাইদৰী চুক্তিত (Hydari agreement) স্বাক্ষৰিত কৰে আৰু ইয়াৰ ভূমি আৰু সম্পদৰ ওপৰত পূৰ্ণ অধিকাৰ প্ৰদান কৰে। তথাপি নাগা জাতীয় পৰিষদৰ নেতৃবৃন্দই উপলব্ধি কৰে যে চুক্তিখনৰ দফাসমূহ ভাৰতীয় সাংবিধানিক পৰিষদে (Indian Constituent Assembly) অৱমাননা কৰিছে। তেওঁলোকেও, ভাৰতৰ স্বাধীনতা ঘোষণাৰ এদিন আগতে অৰ্থাৎ ১৯৪৭ চনৰ ১৪ আগষ্টত স্বাধীনতা ঘোষণা কৰে।

এখন পৃথক ৰাষ্ট্ৰ হিচাপে নাগা আত্মনিৰ্ধাৰণ প্ৰক্ৰিয়াক পুনৰ নিৰূপণৰ উদ্দেশ্যে ১৯৫৯ বৰ্ষত এক গণভোটৰ আয়োজন কৰা হয়। স্বাধীনতাৰ সপক্ষত ৯৯ শতাংশ জনসমৰ্থন নাগা সকলে ঘোষণা কৰে। ১৯৫২ চনত নাগা জাতীয় পৰিষদৰ নেতৃত্বত আইন অমান্য আন্দোলন আৰম্ভ হয় আৰু সফলভাৱে চৰকাৰী অফিচ, স্কুল আৰু প্ৰথম সাধাৰণ নিৰ্বাচনকে ধৰি প্ৰথম লোকসভা নিৰ্বাচন বৰ্জন কৰিবলৈ সক্ষম হয়। ১৯৫৭ চনত পুনৰবাৰৰ বাবে এই আন্দোলন হয়।

সামৰিক কায়দাৰে ভাৰত ৰাষ্ট্ৰযন্ত্ৰই আনিব বিচৰা শান্তি প্ৰক্ৰিয়া মৰীচিকা সদৃশ হোৱাত, গীৰ্জাৰ নেতৃবৃন্দই শান্তিৰ হেতু শান্তি বাহিনী গঠন কৰে। এই শান্তি বাহিনীয়ে শান্তি স্থাপনৰ বাবে নানা প্ৰস্তাৱ হাতত লয় আৰু ভাৰত চৰকাৰ আৰু নাগা সংযুক্ত চৰকাৰ এই দুই শক্তিৰ মাজত যুদ্ধ বিৰতি অনাত সফল হয়।

**বৰ্তমান পৰিস্থিতি ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছৰ হৈ মহাত্মা গান্ধীৰ দৰে ভাৰতীয় নেতাৰ দ্বাৰা নাগাসকলৰ পৃথক ৰাষ্ট্ৰ দাবী অবাস্তৱিক বুলি বিবেচিত হৈছে। নাগাসকলৰ ওপৰত চলোৱা প্ৰভুত্ব অধিক আইনসিদ্ধ কৰাৰ উদ্দেশ্যে নাগাসকলক বিদেশীৰ দ্বাৰা অনুপ্ৰাণিত বুলি ব্যাখ্যা দি এক পৰিকল্পিত প্ৰচাৰ চলোৱা হয়। ভাৰতীয়সকলৰ সাধাৰণ মতামত অনুসৰি বিদেশী মিচনেৰীসকলক দোষী সাব্যস্ত কৰা হৈছিল।

আৰু এইটোও কোৱা হৈছিল যে নাগাসকলে বিদেশী আগ্ৰাসনক বাধা দিব নোৱাৰে আৰু অৰ্থনৈতিক দিশটো নাগা স্বাধীনতাৰ অন্তৰায়।

**বিভাজন আৰু শাসন ঃ** নাগা জাতীয়তাবাদৰ ৰাজনৈতিক সমাধানত ব্যৰ্থ হৈ ভাৰত চৰকাৰে বৃটিছ সাম্ৰাজ্যবাদীহঁতৰ দৰে বিভাজন আৰু শাসন এই নীতি প্ৰয়োগ কৰে। ১৯২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি ইণ্ডো-বাৰ্মা সীমান্তইদি নাগাভূমিক বিভক্ত কৰা হয়। ১৯৬০ চনত ভাৰত ৰাষ্ট্ৰ আৰু কেইজনমান সুবিধাবাদী নাগাৰ মাজত হোৱা Sixteenth point চুক্তি অনুসৰি নাগালেণ্ড ৰাজ্য গঠন কৰা হয়। বাকী নাগা লোকসকল অসম, মণিপুৰ, অৰুণাচল আদিত বাদ পৰি ৰয়। বাৰ্মাত থকা নগালেণ্ডৰ পূব অংশৰ কিছু অংশ কাচিনক এৰি দি বিভাজন কৰা হ'ল আৰু বাকী থকা অংশ নগাসকলৰ সন্মতি অবিহনেই চে চা গাইং ডিভিজনক এৰি দিয়া হয়।

১৯৭৫ চনত নগা জাতীয় পৰিষদৰ কিছুমান সুবিধাবাদী সদস্যই শ্বিলং চুক্তি স্বাক্ষৰ কৰি ১৯৮০ চনৰ জানুৱাৰীত নাগালেণ্ড জাতীয় সমাজবাদী পৰিষদ (National Socialist Council of Nagaland) গঠন হয়। তেতিয়াৰ পৰাই ৰাজনৈতিক প্ৰত্যাহ্বানক গ্ৰহণ কৰাৰ বিপৰীতে ভাৰতৰ ৰাষ্ট্ৰই এই সমাধানৰ উদ্দেশ্যে নিষ্ঠুৰ কাৰছাজিৰ আশ্ৰয় লয়। ভাৰত ৰাষ্ট্ৰৰ ভাঙোন আৰু শাসন নীতিৰ শেহতীয়া খেলখন হ'ল নাগা আৰু কুকীসকলৰ মাজত বঢ়াই তোলা জাতিগত বিবাদ। এই বিবাদ সংঘটিত হৈছে কিছুমান জাতীয় শত্ৰু, ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰ আৰু কিছুমান সুবিধাবাদী উপাদানৰ দ্বাৰা। এই নাগা জাতীয়তাবাদৰ সমাধানৰ উদ্দেশ্যে জনজাতিসকলৰ মাজত কিছুমান সৰু সৰু কাজিয়াক উদগনি দিয়া আৰু নাগাসকলৰ বিপক্ষে আণ্ডাৰগ্ৰাউণ্ড কুকি আৰ্মিক পোহপাল দি ৰখা হ'ল।

**ৰাজনৈতিক আৰু সামৰিক দমননীতি ঃ** ৰাজনৈতিক আৰু সামৰিক দমন নীতিৰ আধাৰত ঐতিহাসিক সত্যসমূহ বিকৃত কৰাৰ উদ্দেশ্যেৰে 'ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সংহতি'ৰ স্বাৰ্থত নাগা গৃহভূমিত নতুনকৈ গঠিত চৰকাৰে সেনাৰ পাল মেলি দিয়ে। নাগা জাতীয় অস্তিত্ব বিলুপ্তিৰ দায়িত্ব এই সামৰিক শক্তিক দিয়া হয় আৰু এনেকুৱা শক্তিৰ দ্বাৰাই ইয়াৰ ৰাজনৈতিক সমাধান বিচৰা হয়। ভাৰতীয় সংসদৰ দ্বাৰা গৃহীত এলানি আইন আৰু ১৯৫৮ চনৰ সামৰিক শক্তি আইন (বিশেষ ক্ষমতাযুক্ত) গ্ৰহণৰ সময়তেই ১৯৫৩ চনত আভ্যন্তৰীণ ঔপনিবেশিক শক্তিৰ সহায়ত আইনসিদ্ধ এক সামৰিক অভিযানক অনুমোদন জনোৱা হয়। এই আইনে ভাৰতীয় নিৰাপত্তা বাহিনীক এক অতিৰিক্ত সাংবিধানিক ক্ষমতা আৰু বিশেষ অধিকাৰ প্ৰদান কৰে। আত্মনিৰ্ধাৰণৰ দাবীক ধূলিসাৎ কৰাৰ উদ্দেশ্যেৰে এই আইন ব্যৱহাৰ কৰা হয়।

এই আইনৰ সহায়ত নিৰাপত্তাৰক্ষীহঁতে জনসাধাৰণৰ ওপৰত আতিশয্য, হত্যা, নাৰীৰ ওপৰত উৎপীড়ণ, গাঁৱৰ পৱিত্ৰ অনুষ্ঠানসমূহৰ পৱিত্ৰতা নষ্ট, শিক্ষানুষ্ঠান ভাঙি চূৰমাৰ কৰা, গাঁও জ্বলাই দিয়া, সা-সম্পত্তি লুট, জোৰ জুলুম, জৰিমনা, বলপূৰ্বক শ্ৰম আদায়, অপহৰণ আদি কাৰ্য সংঘটিত কৰে। এই আইনৰ আধাৰতে সামৰিক বাহিনীয়ে যিকোনো সময়তে পুৰুষ, নাৰী আৰু শিশুৰ সন্ধানত আক্ৰমণ, বাজেয়াপ্ত অথবা গ্ৰেপ্তাৰ কৰিব পাৰে। সেইকাৰণেই ভাৰতৰ স্বাধীনতাৰ আৰ্দ্ধশতাব্দীৰ পিছতো উত্তৰ পূব ভাৰত আৰু নাগা অধ্যুষিত অঞ্চলৰ এক যুদ্ধ সংকুল পৰিৱেশ এতিয়াও বিৰাজমান আৰু ইন্দো-নাগা সমস্যা এতিয়াও অমীমাংসিত হৈয়ে আছে।

**সামাজিক আৰু অৰ্থনৈতিক শোষণ ঃ** সাম্ৰাজ্যবাদৰ বলি ভাৰত আৰু ম্যানমাৰত বাস কৰা নাগাসকল এক অনগ্ৰসৰ জাতিৰূপে চিনাক্ত হৈছে। ব্যৱসায়ী আৰু শক্তিশালী ভূ-স্বামীসকলৰ নগাভূমিলৈ প্ৰৱজন নহ'বৰ বাবে ১৯৭৩ চনত গ্ৰহণ কৰা আন্তঃসীমা নিয়ন্ত্ৰণ (Inner Line Regulation) আইনৰ পৰা নাগা পাহাৰক বাদ দি ৰখা হয়। ভাৰত চৰকাৰে জ্ঞানসন্ধানী ভাৰতীয় আৰু সাংবাদিককে ধৰি বিদেশীসকলৰ আগমন বাধা দিয়াৰ বাবে এই আইন ব্যৱহাৰ কৰে। কিন্তু নাগা পাহাৰ অঞ্চললৈ আগমন হোৱা ব্যৱসায়িক গোষ্ঠীক কোনো বাধা আৰোপ নকৰিলে। আনকি এই সকলৰ মাটি সম্পত্তি অৰ্জন কাৰ্যতো কোনো বাধা নাহিল।

অন্তঃ উপনিৱেশকাৰীৰ তলত এই অঞ্চলতো প্ৰকৃতাৰ্থত কোনো উদ্যোগীকৰণ নহ'ল, কিন্তু কেন্দ্ৰীয় পুঁজি, অৰ্থ সাহায্য, অনুদান আদিৰ ৰূপত সমগ্ৰ নাগাসমাজ টকা-পইচাৰ সংস্কৃতিৰ মেৰপেঁচত সোমাই পৰে আৰু ইয়েই ভোগবাদ আৰু দুৰ্নীতিক প্ৰশ্ৰয় দিয়াত উদগনি দিয়ে।

'ৰাষ্ট্ৰীয় নিৰাপত্তাৰ স্বাৰ্থত' সামৰিক বাহিনীৰ দ্বাৰা এক বৃহৎ অঞ্চল অধিগ্ৰহণ কৰা হ'ল। মণিপুৰৰ হানডুঙত এটা মিনি চিমেণ্ট কাৰখানাৰ বাবেও Land acquisition Act ব্যৱহাৰ কৰা হয়।

**নাগা জনজাতিৰ তালিকা (ভাৰতৰ)**

আংগামী, আও, অনল, চাখেচাং, চাং, চোথে, চিৰু, লামখাং, লোথা, মাও, মাৰম, মনচাং, মযং'ন, মৰিং, নকটে, কইৰেং, কন্যাক*, লিয়াংমেই, খয়ামুনগান*, পাংচা, ফ'ম, পচুৰী, পউমাই, ৰেংমা, ৰংমেই, চাংটাম, চেমা, ঠাংগাল, টাংখুল*, টাৰাও, ওৱাংচু, য়িমচুনগাৰ, জেলিয়াং, জিমেই, পুমেই, খৰম।

বাৰ্মা (ম্যানমাৰ ) ঃ হেমি, লেইনুং, ডিখিৰি, পাংমি, ফেলুংৰি, মুখৰি, চাপুৰি, মইমুনগাম, কন্যাক*, টাংখুল চোমাৰা*, নয'ন*।

* প্ৰতীক চিহ্নই ভাৰত আৰু ম্যানমাৰ উভয় দেশতে থকা জনজাতিক সূচাইছে।

সংবিধানৰ ৩৭১ (ক) অনুচ্ছেদৰ আধাৰত নাগাসকলৰ বাবে আঞ্চলিক স্তৰত স্বায়ত্তশাসন দিয়া হয় আৰু নাগাসকলৰ ধৰ্মীয়, সামাজিক, প্ৰচলিত প্ৰথা আৰু ভূমি অধিকাৰক সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰা হয়। কিন্তু কাৰ্যক্ষেত্ৰত ৰাজহুৱা আদেশ-নিৰ্দেশৰ ক্ষেত্ৰত অনুচ্ছেদ ৩৭১(ক) নাগা বিধান সভাক ক্ষমতাৰ পৰা বঞ্চিত কৰে। ভিতৰুৱা অস্থিৰতা মীমাংসাৰ দায়িত্ব ৰাজ্যপালৰ ওপৰত ন্যস্ত কৰা হয় আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত হ'ব বুলি ঘোষণা কৰে। সংক্ষেপে নাগা জাতীয় আন্দোলনক ব্যৰ্থ কৰাৰ বাবে ই আছিল ভাৰতীয় ৰাষ্ট্ৰৰ এক কূটকৌশল।

নাগা আৰু মণিপুৰৰ জনজাতিসকলৰ সমাজ আৰু অৰ্থনীতিক মষিমূৰ কৰাৰ বাবে চৰকাৰৰ দুখন আইন আছিল। এই আইন দুখন হ'ল ১৯৬০ চনৰ মণিপুৰ ভূমিকৰ আৰু ভূ-সংস্কাৰ আইন আৰু মণিপুৰ আইন, ১৯৫৬ (Manipur land Revenue and Land Reforms act, 1960) পাহাৰীয়া অঞ্চলৰ গ্ৰাম্য প্ৰাধিকৰণ। ইয়াৰ প্ৰথমখন আইন অনুসৰি ভূমি জৰীপ কৰা আৰু ইয়াক চৰকাৰী পট্টাভূক্ত ভূমিলৈ ৰূপান্তৰ কৰা হয়। ভূমি অধিগ্ৰহণৰ কোনো উচ্চ সীমা নাছিল। আনখন আইন অনুসৰি জিলাৰ উপায়ুক্ত গাঁও পৰিষদৰ (Village Council) ক্ষমতাৰ হস্তক্ষেপ আৰু যথাসম্ভৱ গাঁৱৰ মূৰব্বীৰ ক্ষমতা বিলোপকৰণৰ ক্ষেত্ৰত অবাধ ক্ষমতা প্ৰদান কৰে। ই গাঁও পৰিষদৰ কাৰ্যাৱলী সংকুচিত কৰি দিয়ে আৰু থলুৱা প্ৰশাসনক আমোলাতান্ত্ৰিক মেৰপেচত বন্দী কৰি দিয়ে। জৈৱ বৈচিত্ৰ্য ৰক্ষা আৰু উখৰুল জিলাৰ চিৰুই অঞ্চল আৰু মণিপুৰৰ চান্দেল জিলাৰ যাংগেংপকপিত (Yangangpokpi) বন্য জীৱ সংৰক্ষণ উদ্যান স্থানৰ নাম বহুভূমি অধিগ্ৰহণ কৰা হয়। ইতিমধ্যে নিৰ্মাণ হোৱা খউপম বান্ধ লগতাকৰ প্ৰজেক্ট আৰু নিৰ্মীয়মান থৌবল বান্ধ পৰিৱেশৰ প্ৰতি ভাবুকি হৈ উঠিছে।

চৰকাৰে ঠিকাদাৰবিলাকক অৰণ্য ধ্বংস কৰি অধিক সংখ্যাত কাঠৰ মিল স্থাপনৰ অনুমতি দিছে, তদুপৰি সম্পূৰ্ণ চৰকাৰী সা-সুবিধাৰ সহায়ত প্লাইউড ফেক্টৰী স্থাপনতো উদগনি দিছে। চৰকাৰে নাগা জনসাধাৰণ আৰু তেওঁৰ সা-সম্পদ আহৰণৰ উদ্দেশ্য পৰিকল্পিত শোষণ নীতিৰ আশ্ৰয় লৈছে আৰু য'ত চৰকাৰী মালিকানা নাই তাত অনুজ্ঞাপত্ৰ প্ৰদান কৰি শোষণ অব্যাহত আছে। চেগুণ মহল, আগৰ মহল আদি মহল প্ৰথা সৃষ্টি কৰি বহু জনজাতীয় অৰণ্যাঞ্চল অজনজাতীয় ঠিকাদাৰক নীলাম কৰা হৈছে।

**বিদেশী নৈতিকতা আৰু মূল্যবোধ ঃ** ভাৰত আৰু ম্যানমাৰৰ দ্বাৰা ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াৰ সংহতকৰণ আৰু চামিলকৰণক গুৰুত্বপূৰ্ণ স্থান দিয়া হ'ল আৰু ই সজ্ঞানে পৰিচালিত এটা প্ৰক্ৰিয়া।

ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জনসংযোগ মাধ্যমৰ যোগেদি ভাৰত আৰু ম্যানমাৰৰ নগাসকলৰ ওপৰত বিদেশী সংস্কৃতি আৰু মূল্যবোধ জাপি দিয়া প্ৰচেষ্টা চলাই আছে, ভাৰতীয় সেনাবাহিনী, মাৰোৱাৰীৰ দৰে বণিকগোষ্ঠী, আমোলা আদি হিন্দুত্ববাদী শক্তিসমূহৰ সহায়ত নগা সমাজ-ব্যৱস্থাৰ ওপৰত প্ৰবল হেঁচা প্ৰয়োগ কৰা হৈছে।

**সামৰণি ঃ** মহাদেশখনৰ বিভিন্ন অংশত পোৱা ঐতিহাসিক অভিজ্ঞতাসত্বেও, নাগাসকল এতিয়াও জাতি-সংহাৰ আৰু নানা উৎপীড়ণৰ বলি হৈ আছে। সামৰিক শক্তিৰে এই ৰাজনৈতিক আন্দোলন দমনৰ যি সমাধান সূত্ৰ আৱিষ্কাৰ কৰা হ'ল নাগা সমাজ-জীৱনত ই এক দৌৰাত্ম্যমূলক আৰু নিষ্ঠুৰ প্ৰতিফল ৰূপেহে চিহ্নিত হ'ল। ইয়াৰ পৰা কোনো সুদূৰ-প্ৰসাৰী সমাধান নোলাল। ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই আত্মনিৰ্ধাৰণৰ বাবে কেৱল নাগাসকলৰ অধিকাৰকেই উলাই কৰা নাই, ই ভাষা, সংস্কৃতি, ইতিহাস আৰু আৰ্থিক উন্নয়নৰ দিশৰ পৰা নাগাসকলৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ জনগণৰ অধিকাৰক উপেক্ষা কৰি চলিছে।

নাগা জনগণৰ এই সংগ্ৰাম হ'ল ইতিহাসৰ পুনৰ শুদ্ধিকৰণৰ উদ্দেশ্যে, ভাৰত আৰু ম্যানমাৰৰ দ্বাৰা চলাই যোৱা ৰাজনৈতিক আৰু সামৰিক দমন ৰোধ আৰু উন্মুক্ত শোষণৰ বিৰুদ্ধে পদ্ধতিগত আৰু সুদীৰ্ঘ সংগ্ৰাম।

সদায় স্বাধীন ৰূপত থকা, আত্ম নিৰ্ধাৰণৰ বাবে নাগা জনসাধাৰণৰ এই সংগ্ৰামৰ মীমাংসাৰ অধিকাৰ তেওঁলোকৰ ওপৰত এৰি দিব লাগে। সাৰ্বভৌমত্ব পুনৰ প্ৰতিষ্ঠা আৰু সামাজিক নিয়ম-শৃংখলাৰ ক্ষেত্ৰত নাগাসকলে এই আত্মনিৰ্ধাৰণ সাব্যস্ত কৰিব। ✪

মাও-উত্তৰ মহাচীনত সমাজবাদৰ পতন আৰু পুঁজিবাদৰ পুনৰ উত্থানৰ ইতিহাসৰ উপন্যাসোপম চিত্ৰণ পঢ়ক।
উইলিয়াম হিণ্টনৰ The Great Reversal -অৰ কিশোৰী মোহন শৰ্মাই কৰা প্ৰাঞ্জল অসমীয়া অনুবাদ
মহাপৰিৱৰ্তন
মূল্য ঃ ষাঠি টকা।

সুঁৱৰিছো




# মাও জে ডঙ্ আৰু গণ লাইন

(৯ চেপ্তেম্বৰ, ২০০২ত কমৰেড মাওলৈ ২৬ তম মৃত্যুবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি যঁচাৰ উদ্দেশ্যেৰেই ইয়াত এই লেখনীটো প্ৰকাশ কৰা হৈছে।

ডেভিড ফাৰ্ণবাকৰ **Mao Tse Tung, Marxist** নামৰ কিতাপখনৰ পৰা "The Mass Line" শীৰ্ষক প্ৰাসংগিক অংশটো অনুবাদ কৰি দিছে

**সান্ত্বনা শৰ্মাই।)**

প্ৰতিটো বছৰৰ ন চেপ্তেম্বৰে
বুকুৰ গভীৰত কোনো হতাশাৰ যৱনিকা নাটানে
বৰং শোক পৰিণয় হয় শক্তিত
কৰ্মব্যস্ত দুই বাহুলৈ আহে দুনিয়া বদলোৱাৰ হিম্মত
কিয়নো আমি জানো
যদিও নপৰে এই তৃষিত মাটিত বুকুত
চেয়াৰমেন মাওৰ চৰণচিহ্ন আৰু নতুন কৰি
তথাপিও আমাৰ হৃৎস্পন্দনত আৰু শোণিতপ্ৰৱাহত
চিৰদিন তেওঁৰ স্মৃতি থাকিব অমলিন হৈ
তোমাৰ মৃত্যুৰ ২৬তম জয়ন্তীত গ্ৰহণ কৰা অভিনন্দন
কমৰেড মাও তোমাক ৰক্তিম অভিবাদন।

*(বিপ্লৱৰ যোগেদি সৰ্বহাৰা শ্ৰেণীয়ে ক্ষমতা দখল কৰাই একমাত্ৰ কথা নহয়। ক্ষমতা দখলৰ পাছতো শ্ৰেণী সংগ্ৰাম চলিয়েই থাকে। সৰ্বহাৰা আৰু বুৰ্জোৱাৰ মাজৰ শ্ৰেণীসংগ্ৰাম, বিভিন্ন ৰাজনৈতিক শক্তিৰ মাজৰ শ্ৰেণীসংগ্ৰাম, সৰ্বহাৰা আৰু বুৰ্জোৱা মতাদৰ্শৰ মাজতো দীঘলীয়াকৈ আৰু তিক্ততাপূৰ্ণভাৱে চলি থাকে। কেতিয়াবা ই তীব্ৰতম ৰূপো লয়। সৰ্বহাৰাই বিচৰাৰ দৰেই বুৰ্জোৱাৰায়ো নিজৰ ধৰণে পৃথিৱীখন সলাব বিচাৰে। সেয়ে এই টনা আঁজোৰাৰ যুঁজখনত সমাজবাদ জয়ী হ'ব নে পুঁজিবাদ, ই আজিও থিৰাং হোৱা নাই।*

*১৯৪৯ চনত চীনৰ সৰ্বহাৰাই কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত দখল কৰাৰ দৰেই কেৱল মাৰ্ক্সবাদ-লেনিনবাদৰ বিপ্লৱী মতাদৰ্শৰ ওপৰত আস্থা ৰাখি, তথা গণতান্ত্ৰিক কেন্দ্ৰীকৰণৰ ওপৰত আধাৰিত কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বৰ দ্বাৰাহে সৰ্বহাৰাৰ ক্ষমতা দখল সম্ভৱ। লেনিনে কৈছিল - সৰ্বহাৰা পাৰ্টিৰ লৌহ দৃঢ় শৃংখলাৰ সামান্যতমো শিথিলতাই সৰ্বহাৰা বিৰোধী বুৰ্জোৱা মতাদৰ্শকহে সহায় কৰে। এয়া সমাজবাদী সমাজৰ কাৰণ প্ৰধান দ্বন্দ্বও। এনে এটা দলৰ গৰিষ্ঠসংখ্যক সদস্যই কৃষক আৰু শ্ৰমিকৰ ঘৰৰ পৰা আহিলেও ক্ষমতা দখলৰ পাছত দেশ চলোৱা নেতা হিচাপে কাম কৰিবলৈ আৰম্ভ কৰাৰ পাছৰ পৰা তেওঁলোক জনগণৰ লগত বিচ্ছিন্ন হৈ পৰে। দেশ শাসনৰ কাম-কাজ। তলানলা শিকিবলৈ তেওঁলোকে পুৰণা শ্ৰেণীবিভক্ত সমাজখনৰ কাৰ্যনিৰ্বাহক শ্ৰেণীটোৰ সংস্পৰ্শলৈ আহিবলগীয়া হোৱাৰ ফলত এই সুৰুঙাৰে পুঁজিবাদী চিন্তাৰ ৰক্তবীজবোৰ পুনৰ ক্ৰিয়াশীল হৈ উঠে আৰু ঠিক এনে কাৰণতে ছোভিয়েট ৰাছিয়াত পুঁজিবাদৰ পুনৰ প্ৰতিষ্ঠাৰ দৰে ঘটনা ঘটে।)*

... সাংস্কৃতিক বিপ্লৱত পৰিণতি ঘটা এলানি কৰ্মসূচী আৰু পদক্ষেপৰ মাজেদি সমাজবাদী সমাজ-ব্যৱস্থাৰ এই প্ৰধান দ্বন্দ্বৰ তাত্ত্বিক আৰু প্ৰায়োগিক সমাধান কমৰেড মাও-জে-ডঙে দি থৈ গৈছে। তাৰে প্ৰথম পদক্ষেপ হৈছে গণ-লাইন। চীন বিপ্লৱৰ গণতান্ত্ৰিক পৰ্যায় চলি থকাৰ সময়তে এই গণ-লাইনৰ বিকাশ ঘটোৱা হয়। ১৯৪৩ চনৰ জুনত মাৱে লিখা 'নেতৃত্বৰ নিয়ম সম্পৰ্কে কিছু প্ৰশ্ন'ত এই নীতিৰ অতি সুন্দৰ সূত্ৰায়ন ঘটোৱা হৈছে ঃ - 'জনগণৰ পৰা, পুনৰ জনগণলৈ' আমাৰ ব্যৱহাৰিক কামকাজৰ সকলো শুদ্ধ নেতৃত্ব নিশ্চিতভাৱে এই আদৰ্শৰ ভিত্তিতে হ'ব লাগিব। ইয়াৰ অৰ্থ - জনগণৰ পৰা আশু কৰ্তব্য সম্পৰ্কে সম্পৰ্কে ধাৰণা লোৱা (যিবোৰ ধাৰণা ৰাইজৰ মাজত সিঁচৰিত আৰু বিশৃংখল অৱস্থাত থাকিব পাৰে) ধাৰণাবোৰৰ সু-সংগঠিত কৰা, (অৰ্থাৎ বিস্তৃত অধ্যয়নৰ দ্বাৰা নিৰ্ধাৰিত ধাৰণাসমূহক সুশৃংখল আৰু সংহত ৰূপ দিয়া) তাৰপাছত জনগণৰ মাজত ইয়াৰ প্ৰচাৰ আৰু ব্যাখ্যা কৰি মূৰ্ত্ত ৰূপ দিয়া যাতে জনগণে ইয়াক নিজৰ বুলি আঁকোৱালি লয়। এই সংহত ৰূপটোত দৃঢ়ভাৱে বিশ্বাস কৰি আৰু খামুচি থাকি তাক বিপ্লৱী কৰ্মকৰ্তালৈ ৰূপান্তৰ কৰা আৰু এই কামকাজবোৰৰ পৰ্যালোচনা আৰু পৰ্যবেক্ষণৰ যোগেদি তাৰ শুদ্ধাশুদ্ধ পৰীক্ষা কৰি চোৱা। পাছত পুনৰ জনগণৰ পৰা ঘনীভূত ধাৰণাৰ ভিত্তিত ধাৰণা সংগ্ৰহ কৰা আৰু আকৌ জনগণৰ মাজলৈ গৈ পৰ্যবেক্ষণ কৰা যে ধাৰণাবোৰ জনগণে আত্মস্থ কৰি লৈ সেইমতে নিজৰ বুলি কামকাজ চলাই আছে নে নাই। এইদৰে সীমাহীন সৰ্পিল গতিৰে ধাৰণাবোৰ বাৰে বাৰে পৰিশুদ্ধ, অধিক জীৱন্ত আৰু প্ৰতিবাৰতে আৰু সমৃদ্ধ কৰি অনুশীলন কৰি থাকিব লাগে। ইয়েই জ্ঞান সম্পৰ্কীয় মাৰ্ক্সীয় তত্ত্ব।

যদিও এই ধাৰণা মাওৰ মৌলিক নাছিল আৰু লেনিনে ১৯১৩ চনতে একেধৰণেই চিন্তা কৰিছিল, তথাপিও মাওৰ নেতৃত্বত চীনা কমিউনিষ্ট পাৰ্টিয়ে চিয়াংকাংশেকৰ পৰা সাংস্কৃতিক বিপ্লৱলৈকে এই ধাৰাটোৰ প্ৰাণপনে কষ্টকৰ অনুশীলন চলাই যোৱাটো আছিল অভূতপূৰ্ব। উইলিয়াম হিণ্টনৰ ফানচেন নামৰ কিতাপখনত এই সময়ছোৱাৰ পাৰ্টিৰ মতাদৰ্শক ভিত্তি কৰি কৰা কামকাজৰ বিশেষকৈ ভূমি সংস্কাৰ সম্পৰ্কীয় যি দিক্ নিৰ্দেশক নীতিসমূহ লোৱা হৈছিল, তাৰ জীৱন্ত বৰ্ণনা পোৱা যায়। যেনে ঃ চীনা গণমুক্তি ফৌজৰ (PLA) সদস্যই চলোৱা অনুসন্ধান, জনগণে নিজৰ হকে সংগ্ৰাম কৰিবলৈ লোৱা অগ্ৰগামী ভূমিকা, ভূমি সংস্কাৰ সম্পৰ্কৰ দিক্নিৰ্দেশক নীতি, এইবোৰ প্ৰয়োগ কৰিবলৈ যাওঁতে হোৱা সমস্যাসমূহ পাৰ্টি

সদস্যসকলৰ আত্মসমালোচনা আৰু পুনঃ সদস্যসকলৰ আত্মসমালোচনা আৰু পুনঃ সংশোধিত দিক্-নির্দেশক নীতিসমূহ, এই আর্টাইবোৰৰে বর্ণনা তাত পোৱা যায়। গ্রামাঞ্চলত পার্টি আৰু কৃষক জনতাৰ মাজৰ দৃঢ় সম্পর্কৰ পুং খেদিয়েই এই ঐতিহাসিক গণ-লাইনৰ উৎপত্তি সম্পর্কে ধাৰণা কৰিব পাৰি। যিয়ে জনগণৰ মাজত চীনা কমিউনিষ্ট পার্টিৰ দৃঢ় ভিত্তি গঢ়ি তোলাৰ মৌলিক ভূমিকা লৈছিল।

যি মতাদর্শৰ ওপৰত ভিত্তি কৰি পার্টিয়ে কৃষক সমাজক সংগঠিত কৰিছিল সেই মতাদর্শৰ শুদ্ধতা সম্পর্কে ৰাষ্ট্ৰ ক্ষমতা দখল হোৱাৰ ২০ বছৰ পাছত নহয়, সেই স্থানতেই তেতিয়াই পৰীক্ষা কৰিব পৰা গৈছিল।

সেয়ে বলচেভিকসকলে ক্ষমতা দখল কৰাৰ দিনৰ পৰা যি কমাণ্ডাৰসুলভ কাম-কাজৰ ধৰণ দেখা গৈছিল তাৰ বিপৰীতে গণতান্ত্ৰিক বিপ্লৱী মতাদর্শক ৰক্ষণাবেক্ষণ দিয়া ধৰণৰ কর্মকাণ্ডৰ চৰিত্ৰই চীনা কমিউনিষ্ট পার্টিক জনগণৰ কাষ চপাই নিয়াত শক্তিশালী ভূমিকা লৈছিল।

প্ৰকৃততে সমালোচনাৰ বাবে পার্টিয়ে উদগনি দিয়া আৰু জনগণৰ দ্বাৰা পার্টিৰ সদস্যপদ খাৰিজ কৰালৈকে চীনা কমিউনিষ্ট পার্টিয়ে প্ৰয়োগ কৰা এই গণলাইন স্বাধীনতাৰ পূর্বৰ ধাৰণা আছিল যদিও বলচেভিকসকলৰ সময়ছোৱাত প্ৰয়োগ কৰা হোৱা নাছিল। উদাহৰণস্বৰূপে ১৯৪৮ চনত মুক্তাঞ্চলত ভূমিসংস্কাৰ আন্দোলন চলা সময়ত মাৱে লিখিছিল আমি নিশ্চয় কিছু পার্টি কর্মী আৰু পার্টি সদস্যক সমালোচনা কৰিব লাগিব আৰু তেওঁলোকৰ সৈতে মতাদর্শগত সংগ্ৰাম কৰিব লাগিব। যিসকলে গুৰুতৰ ভুল কৰিছে শ্ৰমিক আৰু কৃষকৰ মাজত থকা তেনে কিছুমান বেয়া উপাদানৰ বিৰুদ্ধে যুঁজিব লাগিব। এই সমালোচনা আৰু মতাদর্শগত সংগ্ৰামৰ মাজেদি আমি জনগণক সঠিক স্থিতি আৰু কামকাজৰ সঠিক ৰূপ দিবলৈ উদ্বুদ্ধ কৰিব লাগিব আৰু ৰুক্ষ কাৰ্যব্যৱস্থা লোৱাৰ পৰা বিৰত ৰাখিব লাগিব। ই সমস্যাৰ এটা দিশহে। আনটো দিশ হ'ল এই ভুল কৰা কর্মী আৰু পার্টি সদস্য আৰু বেয়া উপাদানবোৰক জনগণ প্ৰতি আক্ৰোশমূলক পদক্ষেপ নল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ কৰাব লাগিব।

এইটো অতি অৱশ্যেই ঘোষিত কৰিব লাগিব যে জনগণৰ অধিকাৰ কেৱল পার্টিসদস্যসকলৰ সমালোচনা কৰাতে সীমাবদ্ধ নহয়, প্ৰয়োজনত পদচ্যুত কৰা, বৰ্খাস্ত কৰা অথবা পার্টি সদস্যপদৰ পৰা বহিষ্কাৰ কৰাৰ প্ৰস্তাৱ দিয়াৰ অধিকাৰ থকাৰ উপৰিও প্ৰয়োজনত অতি বেয়া উপাদানবোৰক লোক আদালতত বিচাৰ আৰু শাস্তিৰ বাবে উপস্থিত কৰাৰ অধিকাৰো জনগণৰ আছে। ✪

**শিক্ষা-দীক্ষা**

# অসম জাতীয় শিক্ষা সমন্বয় পৰিষদৰ অন্তর্ভুক্ত জাতীয় বিদ্যালয়সমূহৰ 'শিক্ষক-সংগঠক সমাৰোহ'

**(এখন সংগৃহীত গোহাৰিৰ পৰা)**

সাধাৰণভাৱে অর্থনীতিত প্ৰাকৃতিক সম্পদক শ্ৰমৰ দ্বাৰা মানুহে উপযোগী কৰি গঢ়ি লোৱাকে সম্পদ বোলে। মানুহকো কল্যাণকামী ৰাষ্ট্ৰই সম্পদ বুলি গণ্য কৰে। মানুহৰ মাজত নিহিত আছে আনবিক শক্তিতকৈ শক্তিশালী সৃজনীশক্তি। কিন্তু সমাজত মানুহক যোগ্য ৰূপে গঢ়ি তুলিব নোৱাৰিলে সেই শক্তি সম্পদটো নহ'বই, বৰঞ্চ সমাজৰ অহিতকাৰী বিপদৰূপে পৰিগণিত হ'ব। মানুহক উপযুক্ত নাগৰিক কৰি গঢ়ি তোলাই শিক্ষাৰ প্ৰধান লক্ষ্য। বর্তমান আমাৰ সমাজৰ বিদ্যালয়, শিক্ষক আৰু অভিভাৱকৰ অৱস্থা এনেহে হৈছেহি যে এটি শিশুৱে সু-শিক্ষা পোৱাৰ সুযোগ প্ৰায় নাথাকেই বুলিব পাৰি। বহল অর্থত বর্তমানৰ গোটেই শিক্ষা-ব্যৱস্থাটোক গঢ়ি-পিতি নতুনকৈ গঠন কৰাৰ প্ৰয়োজন আছে।

পিছে, সিমানখিনি নোৱাৰিলেও অসমত ইতিমধ্যে দ্ৰুত গতিত প্ৰতিষ্ঠা হোৱা জাতীয় বিদ্যালয়সমূহে সেই দিশত কিছুদূৰ হ'লেও সঠিক পথেৰে আগবাঢ়িছে। সেয়েহে জাতীয় বিদ্যালয়বোৰত এটি শিশুক বাল্য অৱস্থাৰপৰাই বৈজ্ঞানিক পদ্ধতিৰে আৰু জাতীয় জীৱনৰ লগত খাপ খুৱাকৈ শিক্ষা প্ৰদান কৰি অহা হৈছে। শিশুৰ মানসিক বিকাশৰ বাবে পদ্ধতিগত বিদ্যায়তনিক শিক্ষাৰ লগতে শাৰীৰিক, সামাজিক আৰু সাংস্কৃতিক দিশলৈও সম্পূর্ণ মনোযোগ দিয়া হয়। কিন্তু তাকে কৰিবলৈ যাওঁতে ছাত্ৰ সমাজৰ লগতে শিক্ষাৰ অন্যতম আধাৰ স্বৰূপে শিক্ষক তথা শিক্ষা সংগঠক আৰু অভিভাৱকসকলৰ কথাও মনত ৰাখিব লাগিব।

সোণাৰি জাতীয় বিদ্যালয় প্ৰতিষ্ঠা কৰা দিন ধৰি এই দিশেৰে আগবাঢ়িবলৈ প্ৰচেষ্টা চলোৱা হৈছে। যোৱা এটা বছৰৰ চমু অভিজ্ঞতাই জাতীয় বিদ্যালয়ৰ লক্ষ্যত উপনীত হ'বলৈ হাতত লোৱা কার্যপন্থাক সঠিক বুলি বিশ্বাস জন্মাইছে।

গতিকে আমি সোণাৰি জাতীয় বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক সংগঠক আৰু শুভাকাংক্ষী লগ হৈ অহা ইং ২৫, ২৬ আৰু ২৭ অক্টোবৰত অসম জাতীয় শিক্ষা সমন্বয় পৰিষদৰ অন্তর্ভুক্ত সমূহ জাতীয় বিদ্যালয়ৰ শিক্ষক তথা সংগঠকসকলৰ এখন সমাৰোহ অনুষ্ঠিত কৰিবলৈ আগবাঢ়িছোঁ। আমাৰ লগত অন্যতম সহযোগীৰ ৰূপত আছে চৰাইদেউ মহকুমাৰ সমূহ জাতীয় বিদ্যালয়। পিছে ৰাইজলৈ আমাৰ গোহাৰি আপোনালোকৰ কাষত আমি বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সহায়ৰ বাবে কৰযোৰে থিয় হ'মগৈ। আমাৰ সৎ উদ্দেশ্যক আপুনি সঁহাৰি জনাব বুলি আশা কৰিলোঁ

ধন্যবাদেৰে -

বাণীকান্ত ৰাজখোৱা (সভাপতি), বংশীধৰ লাহন, বীৰেণ শর্মা, অতুল গগৈ, ডিম্বেশ্বৰ বৰা (উপসভাপতিসকল), ভবেন শ্যাম (সম্পাদক), ড০ বুধিন গগৈ, স্বপন কৰ, পুলক গগৈ, ধ্ৰুৱজ্যোতি ফুকন, ৰিপু বুঢ়াগোহাঁই (সহঃসম্পাদকসকল), মঃমীৰ ফজলুৰ ৰহমান (কোষাধ্যক্ষ) .... আদি বহুজন। ✪

মহান অসমীয়া সংস্কৃতি জিন্দাবাদ, উগ্ৰ জাতিদম্ভ-বর্ণবাদ মুর্দাবাদ !



OKDISCD

বিষয় ঃ বিটিচি

# বড়ো সমস্যাক লৈ প্ৰথম কাৰ্যনিৰ্বাহকৰ প্ৰস্তাৱ বিটিচি পুনৰীক্ষণৰ দাবী তুলিলে কংগ্ৰেছে

গুৱাহাটী, ১৫ চেপ্তেম্বৰ ঃ বিটিচি সন্দৰ্ভত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ পুনৰীক্ষণৰ দাবী জনাই আজি প্ৰদেশ কংগ্ৰেছৰ কাৰ্যনিৰ্বাহকে গ্ৰহণ কৰা এক প্ৰস্তাৱে ৰাজ্যৰ শাসনাধিষ্ঠিত নিজ দলৰ চৰকাৰখনৰ সৈতে প্ৰদেশ কংগ্ৰেছৰ মত পাৰ্থক্য প্ৰকট কৰি তুলিলে। সাংসদ পৱন সিং ঘাটোৱাৰৰ নেতৃত্বত অনুষ্ঠিত আজিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক বৈঠকতে বিটিচি বিষয়টো অত্যন্ত স্পৰ্শকাতৰ বুলি অভিহিত কৰি প্ৰদেশ কংগ্ৰেছে এই বিষয়ত চূড়ান্ত সিদ্ধান্ত লোৱাৰ পূৰ্বে গোটেই বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে পুনৰীক্ষণৰ দাবী জনাই এক প্ৰস্তাৱ লয়। ৰাজ্য চৰকাৰে ইতিমধ্যে বি টিচি গঠনত সেউজ সংকেত দি কেন্দ্ৰীয় চৰকাৰক এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'বলৈ পূৰ্ণ কৰ্তৃত্ব অৰ্পণ কৰাৰ পিছত আজিৰ কাৰ্যনিৰ্বাহকৰ প্ৰস্তাৱে গোটেই বিষয়টোৰ ক্ষেত্ৰত এক নতুন মাত্ৰা যোগ দিলে। ✪

# পলমকৈ হ'লেও কংগ্ৰেছে বুজি পালে ঃ জনগোষ্ঠীয় সংগ্ৰাম সমিতি

গুৱাহাটী, ১৬ চেপ্তেম্বৰ ঃ প্ৰদেশ কংগ্ৰেছৰ কালিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকে বিটিচি গঠনৰ বিষয়টোক পুনৰীক্ষণৰ বাবে নিজ দলৰে চৰকাৰখনৰ ওচৰত দাবী উত্থাপন কৰা কাৰ্যক আদৰণি জনাইছে সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিয়ে। যোৱা এটা বছৰ ধৰি বিটিচি গঠনৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰি গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি অহাএই সংগঠনটোৰ নেতৃত্বই আজি কয় যে বিটিচি গঠনৰ যে কোনো বাস্তৱ ভিত্তি নাই সেই কথা পলমকৈ হ'লেও প্ৰদেশ কংগ্ৰেছে বুজি পোৱাটো এই মুহূৰ্তত যোগাত্মক কথা। আৰু একে সময়তে বিটিচিৰ বিৰোধিতা কৰি অহা সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ বাবে ই নৈতিক বিজয়।

সমিতিৰ আহ্বায়ক ফণী মেধি, উপ-মুখ্য আহ্বায়ক ব্ৰজেন মহন্তৰ লগতে আৰ্মকাৰ সভাপতি হৰেশ্বৰ বৰ্মণ, আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি জাষ্টিন লাক্ৰাই আজি 'প্ৰতিদিন'ক কয় যে বড়ো জনগোষ্ঠীৰ উন্নয়নৰ নামত বিটিচি গঠন কৰাটো যে তৰুণ গগৈ চৰকাৰৰ অপ্ৰয়োজনীয় কচৰৎ সেই কথা ইতিমধ্যে প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বয়ো বুজি পাইছে। সমিতিৰ নেতৃত্বৰ মতে নিজ দলৰ পৰামৰ্শ মানি লৈ নামনি অসমৰ এক বৃহৎ সংখ্যক বড়ো-অবড়ো ৰাইজৰ ভৱিষ্যতৰ কথা আগত ৰাখি গগৈ চৰকাৰে বিটিচি সন্দৰ্ভত নিজৰ স্থিতি সলনি কৰিব লাগে। সমিতিৰ মতে এতিয়া বিটিচিৰ বিষয়টো ইমানতে সামৰি ৰাজ্য চৰকাৰে এখন ঘূৰণীয়া মেজমেল আহ্বান কৰি তাতে ৰাজ্যখনৰ বড়ো আৰু অবড়ো নেতৃত্বক আমন্ত্ৰণ কৰি আলোচনাৰ মাজেদি সমস্যা সমাধান কৰিব লাগে। ৰাজ্য চৰকাৰৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে দুয়োপক্ষক আলোচনাৰ মজিয়ালৈ আনিহে সমস্যা সমাধান কৰিব পৰা যাব। ✪

# বিটিচিৰ বিৰুদ্ধে সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ বিশেষ অভিবৰ্তন (প্ৰতিবেদক ঃ অমৃত চেতিয়া)

ৰঙিয়া ঃ ৰঙিয়াৰ ৰাইজৰ বিপুল সঁহাৰিত ৭ আৰু ৮ চেপ্তেম্বৰ,০২ত সঃজঃসংসঃৰ এক বিশেষ অভিবৰ্তন অনুষ্ঠিত হয়। অভিবৰ্তনত ওডালগুৰি, কলাইগাঁও, দৰং, টংলা, জালাহ, পাঠশালা, আনন্দবজাৰ, সৰভোগ, সৰুপেটা, বৰপেটা ৰোড, বাঘমৰা, বঙ্গাইগাঁও, গোসাঁইগাঁও, শ্ৰীৰামপুৰ, কোক্ৰাঝাৰ, চাপৰ, মঙ্গলদৈ, বিলাসীপাৰা, ধুবুৰী, ৰঙিয়া, নলবাৰী আদি ঠাইৰ দেৰশতাধিক প্ৰতিনিধিৰ উপস্থিতিত হৰেশ্বৰ বৰ্মণ, ত্ৰিদীপপতি সিন্‌হা, আব্দুল আজিজক লৈ গঠিত পৰিচালনা মণ্ডলী আৰু ব্ৰজেন মহন্ত, মঃ আজেৎ আলি, জাষ্টিন লাক্ৰাৰ যুটীয়া সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাত সংগ্ৰাম সমিতিৰ অংশীদাৰ সকলো সংগঠনৰ প্ৰতিনিধিবৰ্গই বিটিচি বিৰোধী সংগ্ৰামৰ পৰ্যালোচনা আৰু ভৱিষ্যৎ কাৰ্যসূচী সম্পৰ্কে জীৱন্ত ৰূপত বক্তব্য দাঙি ধৰে।

৮ চেপ্তেম্বৰত কৃষক ছহিদ ভৱনত দিনৰ এঘাৰ বজাত হৰেন্দ্ৰ ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বক্তব্য আগবঢ়ায় যথাক্ৰমে ত্ৰিদীপপতি সিন্‌হা, হৰেশ্বৰ বৰ্মণ, বিশ্বজিৎ ৰায়, সুৰেশ চৰকাৰ, আব্দুল আজিজ আৰু ব্ৰজেন মহন্তই। মুকলি সভাৰ সিদ্ধান্ত মৰ্মে ২৭ চেপ্তেম্বৰ,০২ত বিটিচি গঠনৰ প্ৰতিবাদত প্ৰতি জিলা আৰু মহকুমাত অৱস্থান ধৰ্মঘট, ৭ আৰু ৮ অক্টোবৰ,০২ত ৩৬ ঘণ্টীয়া ৰেলবন্ধ কাৰ্যসূচী আৰু অক্টোবৰ,০২ৰ শেষৰ ফালে দিল্লীত বিটিচিৰ বিৰুদ্ধে বিশিষ্ট বুদ্ধিজীৱীক লৈ এখন চেমিনাৰ পতাৰ সিদ্ধান্ত গৃহীত হয়। ✪

# আছু সমৰ্থিত বিটিচিৰ প্ৰধান দাবীদাৰ বিএলটিৰ গুলীত আছুৰ নেতা নিহত

(প্ৰতিবেদক ঃ ব্ৰজেন মহন্ত)

একপক্ষীয়, অগণতান্ত্ৰিক বিটিচিক মুকলি সমৰ্থন নজনোৱাৰ অপৰাধতে আছুৰ নেতা বন দাসক বি.এল.টিয়ে নিঃসংগ ভাৱে হত্যা কৰে। আমি এই হত্যাৰ প্ৰতিবাদ কৰি বিটিচিৰ হোতা বিএলটিৰ পৰম মিত্ৰ আছুৱে জনগণৰ ওচৰত জবাবদিহি হ'ব লাগে বুলি দাবী কৰোঁ। ✪

# জে.এ.এচ.পি.ৰ অৱস্থান ধৰ্মঘট

(প্ৰতিবেদক ঃ অমৃত চেতিয়া)

গুৱাহাটী ঃ ১৯ চেপ্তেম্বৰ ঃ বিটিচি গঠনৰ প্ৰতিবাদত, ঝাড়খণ্ডী আদিবাসীসকলৰ অনুসূচীকৰণ আৰু বিএচি এলেকাৰ শৰণাৰ্থীসকলক চিকিৎসা প্ৰদান, খাদ্য সামগ্ৰী যোগান আৰু পুনৰ সংস্থাপনৰ দাবীত জে.এ.এচ.পি.য়ে অহা এক অক্টোবৰ,০২ ত গুৱাহাটীত এক দিনজোৰা অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী পালন কৰিব। ধৰ্মঘটৰ প্ৰতি ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম সমিতিয়ে সকলো পক্ষৰ সহযোগিতা কামনা কৰিছে। ✪

OKDISCD

বিষয় ঃ বিটিচি

## সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ দৰং জিলাত প্ৰচাৰ অভিযান

(প্ৰতিবেদক ঃ হৰেশ্বৰ বৰ্মণ)

কলাইগাঁও ঃ যোৱা ২৩ আগষ্ট,০২ত কলাইগাঁৱৰ শ্বহীদ ভৱনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিএলটিৰ দৰে এমুঠি ব দুকধাৰীৰ লগত আলোচনা মৰ্মে গঠন কৰিবলৈ লোৱা বিটিচিৰ বিৰুদ্ধে এখন নাগৰিক সভা অনুষ্ঠিত হয়। সভাত ত্ৰিদীপপতি সিন্‌হা, হৰেশ্বৰ বৰ্মণ আৰু ব্ৰজেন মহন্ত উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ইয়াৰ উপৰিও ওদালগুৰিত বিএলটিৰ দ্বাৰা নিহত বন দাসৰ হত্যাৰ প্ৰতিবাদত ওদালগুৰিৰ নাগৰিক, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু আছুৰ স্থানীয় গোটৰ আহ্বানত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সভাত সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ উপমুখ্য আহ্বায়ক ব্ৰজেন মহন্ত, আহ্বায়ক ত্ৰিদীপপতি সিন্‌হা আৰু হৰেশ্বৰ বৰ্মণ উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

একেদৰেই ২১ আগষ্ট,০২ত সংগ্ৰাম সমিতিৰ দৰং জিলা সমিতিৰ উদ্যোগত হৰেশ্বৰ বৰ্মণ, ত্ৰিদীপপতি সিন্‌হা আৰু ব্ৰজেন মহন্তৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। সভাত সকলো ৰাইজে একমুখে বিটিচিৰ বিৰোধিতা কৰে। ✪

## বড়োসকলৰ প্ৰকৃত জনসংখ্যা সম্পৰ্কে এবছু নেতাৰ বিস্ফোৰক স্বীকাৰোক্তি

বিটিচি/ বড়োলেণ্ড অথবা অসমৰ জনগোষ্ঠীয় সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ গৈ শ্ৰেণীসংগ্ৰামে বিভিন্ন সময়ত বড়োসকলৰ প্ৰকৃত জনসংখ্যা সম্পৰ্কে তথ্য প্ৰকাশ কৰি আহিছে। তাৰ বিপৰীতে নিখিল বড়ো ছাত্ৰ সন্থাকে ধৰি বড়ো সংগঠনসমূহে সদায়েই অসমৰ বড়ো জনসংখ্যাৰ বিৰাট পৰিসংখ্যা দাঙি ধৰিছে, বিটিচিত নিজকে সংখ্যাগৰিষ্ঠ বুলিও দাবী কৰিছে। কিন্তু এইবেলি কোঁচ ৰাজবংশীসকলৰ অনুসূচীকৰণৰ দাবীৰ বিৰোধিতা কৰিবলৈ গৈ এবছুৰ মুখৰ পৰা প্ৰকৃত সত্যটো ওলাই পৰিছে। ১৯ চেপ্তেম্বৰৰ **The Telegraph** কাকত অনুসৰি -

ABSU General Secretary Lwmsrao Daimary pointed out that the state had 70 lakh Koch Rajbangshis, while other tribal communities comprised only half the number. 'Bringing the Koch-Rajbangshis under the purview of the reservation quota of 10 percent can create understanding and even lead to a physical confrontation between tribal communities.

আমাৰ প্ৰশ্ন এটাই, কোচ ৰাজবংশীসকলৰ জনসংখ্যা ৭০ লাখ হোৱাৰ বিপৰীতে আমাৰ সকলো জনজাতিৰ যুগ্ম জনসংখ্যাহে যদি ৩৫ লাখ হয়, তেনেহ'লে কেৱল বড়োসকলৰ জনসংখ্যা কিমান? তেওঁলোক তেনেহ'লে কেনেকৈ বিটিচিত সংখ্যাগৰিষ্ঠ? ✪

সংস্কৃতি

## ঝাড়খণ্ডী আদিবাসীৰ সংস্কৃতি

❑ দম্‌নিক ইন্দুৱাৰ (টিংখাং দিল্লীবাৰী)

অসমৰ গাঁৱে-ভূঁই, পাহাৰ নদী দাঁতিকাষৰীয়া চাহ বাগিছা সকলোতে ঝাড়খণ্ডী আছে। কিন্তু অন্যান্য উচ্চ বৰ্ণ সম্প্ৰদায়ে ঝাড়খণ্ডী সকলক নীচ চকুৰে চায়। লগতে ইহঁতৰ পৰা শ্ৰমদান অধিক লোৱা হয়। নিপীড়িত কৰা হয়। সম্পত্তি ছলে বলে কৌশলে কাঢ়ি লোৱা হয়। ঝাড়খণ্ডীসকলৰ ভিতৰত এশ আঠটা গোষ্ঠী আছে। সেই গোষ্ঠীসকল হৈছে - খাড়িয়া, মুণ্ডা, ওৰাং, চাওতাল, কোল, ক দপানী, চামাৰ, ঘাঁচি, তাঁতি, তেলি, গড় আদি। প্ৰত্যেক গোষ্ঠীৰ নীতি-নিয়ম ধৰ্ম সুকীয়া সুকীয়া, দোৱান পাৰ্চিও বেলেগ। চাদৰী ভাষা সাধাৰণ ভাষা। এই চাদৰী ভাষাক সহযোগী ৰাজ্যভাষাৰূপে স্বীকৃতি হ'ব লাগে। অসমত বজাৰহাট বিলাকত এই চাদৰী ভাষাতে কথা পাতে। চাহ বাগানৰ বা বস্তি এলেকাত থকা ঝাড়খণ্ডী বুঢ়া-বুঢ়ীয়ে অসমীয়া ভাষা ভালদৰে ক'ব আৰু বুজিও আজিলৈকে নাপায়। সেইবাবে দোকান বজাৰ আদিত চাদ্ৰী ভাষা ব্যাপকভাৱে চলি আছে।

আদিম যুগৰ পৰা ঝাড়খণ্ডীসকল জংঘলৰ নদী-পাহাৰ অতি চিনাকি। ঝাড়খণ্ডীসকলৰ কোনো লিপিবদ্ধ ভাষা নাছিল, বৰ্তমান ঝাড়খণ্ডী ৰাজ্যৰ গৱেষক ডঃ নাৰায়ণ উৰাঙে এই ভাষাৰ লিপি উলিয়াইছে। নিজৰ প্ৰতিদিনৰ দুখ-সুখ, চলন ফুৰন সকলোকে ঝাড়খণ্ডী লোকগীত (দুৰাং) গীতত প্ৰকাশ কৰি নিজৰ অতীত ইতিহাস প্ৰকাশ কৰিছে।

প্ৰাচীন যুগৰ আৰ্যজাতিয়ে ঝাড়খণ্ডীসকলক খুব হাৰাশাস্তি কৰি অত্যাচাৰ চলাই নিজৰ অঞ্চলৰ পৰা খেদি পঠায়। কিন্তু তাৰ আগতে ভাৰতৰ প্ৰথম নগৰবোৰ প্ৰতিষ্ঠা কৰিছিল ঝাড়খণ্ডী জাতিৰ এক গোষ্ঠীয়ে। খড়িয়া গোষ্ঠীয় ইতিহাসত দেখা যায় যে সিন্ধু নদী উপত্যকাত দুটা পুৰাতন চহৰ, মোহেনজোদাৰো, হৰপ্পা এই দুখন চহৰ আছিল। ই খাড়িয়া গোষ্ঠীৰ চহৰ আছিল। তাত বহুত দিন থকাৰ পাছত আৰ্য গোষ্ঠীয়ে তাৰ শান্তি ভঙ্গ কৰি খাড়িয়া গোষ্ঠীক খেদি দিয়ে।

প্ৰকৃতিৰ লগত খাপখোৱা নাচ গান আদিত ঝাড়খণ্ডীসকলে সুখ পায়। লগে লগে নিজৰ সমাজ ধৰ্ম গীত তথা জাতিৰ কলাকৃষ্টি পৱিত্ৰ বুজাই ৰাখিছে বাবে বিশেষ যত্ন লয়। এই হ'ল ঝাড়খণ্ডী সংস্কৃতি। আহক আমি নিজৰ জাতীয় সংস্কৃতি পুনৰুদ্ধাৰৰ জৰিয়তে এক জাতীয় আন্দোলন গঢ়ি তোলোঁ।

বৰ্তমান দেশ জাতি, ধৰ্ম, সংস্কৃতি আদিক বাহাল ৰাখি সমস্যাৰ লগত বহুত বেলেগ, এতিয়া সংগ্ৰাম অবিহনে একো নাই। বীৰসা মুণ্ডাৰ বাণী অধিকাৰ কোনেও নিজে নিদিয়ে। অধিকাৰ কাঢ়ি আনিব লাগে। ✪



OKDISCD

অৰ্থনীতি

# বেংকত ব্যক্তিগত তথা বিদেশী পুঁজিৰ অনুপ্ৰৱেশৰ বিৰুদ্ধে বেংক কৰ্মচাৰীৰ অভিৱৰ্তন

**(প্ৰতিবেদক ঃ প্ৰমোদ মহন্ত, সম্পাদক, যোৰহাট জিলা সমিতি, অসম প্ৰাদেশিক বেংক কৰ্মচাৰী সন্থা।)**

'তিনিটা দশকতকৈও অধিক কাল ভাৰতীয় অৰ্থনীতিৰ ধ্বৰণী ধৰি থকা ৰাজহুৱা খণ্ডৰ বেংকক আজি বিশ্ব জনগণৰ শত্ৰু মাৰ্কিন, ইউৰোপীয়ান তথা জাপানী সাম্ৰাজ্যবাদৰ নিৰ্দেশত ব্যক্তিগতকৰণ কৰাৰ চক্ৰান্ত নিতান্তই দেশবিৰোধী, জনগণবিৰোধী। টাটা, বিড়লা, ডালমিয়াসকলৰ অনুগ্ৰহত নহয়, চৰকাৰৰ সদিচ্ছাৰেও নহয়, বৰঞ্চ দেশৰ জনগণ আৰু বেংক কৰ্মচাৰীসকলৰ বহু আন্দোলনৰ ফলশ্ৰুতিতহে দেশৰ বেংক ব্যৱস্থাটো চৰকাৰীকৰণ কৰা হৈছিল। এতিয়া বেংক ব্যৱস্থা পুনৰ ব্যক্তিগতকৰণ কৰি ইতিহাসৰ ৰথৰ চকৰী ওলোটাকৈ ঘূৰাব বিচৰা হৈছে। ব্যক্তিগতকৰণে প্ৰতিযোগিতাৰ নামত বেংকৰ সুদৰ হাৰ কৰ্তন কৰি দুখীয়াৰ ধন ধনীৰ হাতত পুঞ্জীভূত কৰিব, অগ্ৰাধিকাৰ খণ্ডৰ (Priority Sector) ঋণ ব্যৱস্থা ধ্বংস কৰিব, গাঁৱৰ কৃষিক নেওচা দি নগৰীয়া উদ্যোগৰ জয়গান গাব আৰু এনেকৈয়ে দেশী-বিদেশী পুঁজিপতিৰ স্বাৰ্থৰ বেদীত ৰাইজৰ স্বাৰ্থক জলাঞ্জলি দিব।' অসম প্ৰাদেশিক বেংক কৰ্মচাৰী সন্থা যোৰহাট জিলা সমিতিৰ ৬ষ্ঠ অধিৱেশন উপলক্ষে আয়োজিত **'বিশেষভাৱে বেংক উদ্যোগৰ ক্ষেত্ৰত আৰু সাধাৰণভাৱে ভাৰতীয় অৰ্থনীতিত ৰাজহুৱাখণ্ডৰ প্ৰাসংগিকতা'** শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি এনেদৰে মন্তব্য কৰে যোৰহাট কলেজৰ প্ৰবক্তা দেৱব্ৰত শৰ্মাই। আলোচনাচক্ৰৰ পাতনি মেলি সন্থাৰ সাধাৰণ সম্পাদক অজন্ত বৰদলৈয়ে ভাৰতবৰ্ষৰ গ্ৰামীণ আৰু কৃষিখণ্ডলৈ ৰাজহুৱা খণ্ডৰ বেংকে আগবঢ়োৱা অভূতপূৰ্ব বৰঙণিৰ বিষয়ে উল্লেখ কৰে। আন এজন বক্তা প্ৰশান্ত বৰপূজাৰীয়ে বিশ্বায়নৰ ধুমুহাজাকে ভাৰতীয় অৰ্থনীতিৰ চালিকা শক্তি ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহ বিশেষকৈ বেংকিং ব্যৱস্থাটোক ধ্বংস কৰাৰ পৰা ৰক্ষা কৰিবলৈ সমাজৰ সকলো শ্ৰেণীৰ লোকক লগত লৈ এক প্ৰবল আন্দোলন গঢ়ি তুলিবলৈ বেংক কৰ্মচাৰীসকলক আহ্বান জনায়।

পাছদিনাৰ প্ৰতিনিধি সভাত উপস্থিত থাকি অসম প্ৰাদেশিক বেংক কৰ্মচাৰী সন্থাৰ যুটীয়া সম্পাদক দিলীপ কুমাৰ শৰ্মা, কেন্দ্ৰীয় সমিতিৰ অন্যতম সদস্য ক্ৰমে শুভাশীষ ভদ্ৰ আৰু মুকুল বৰঠাকুৰে বেংক কৰ্মচাৰীসকলৰ ওপৰত নমাই অনা ভয়াবহ আক্ৰমণ প্ৰতিহত কৰিবলৈ সকলোকে ঐক্যবদ্ধভাৱে সাজু হ'বলৈ আহ্বান জনায়। এই সভাতে পৰৱৰ্তী কাৰ্যকালৰ বাবে মহেন্দ্ৰনাথ দাসক সভাপতি আৰু প্ৰমোদচন্দ্ৰ মহন্তক সম্পাদক হিচাপে লৈ এখনি জিলা সমিতি গঠন কৰা হয়। প্ৰতিনিধি সভাত ব্যক্তিগতকৰণৰ বিৰুদ্ধে চাকৰিৰ নিৰাপত্তা, কৃষি ঋণ বৃদ্ধি কৰা, জমাধনৰ ওপৰত সুদৰ হাৰ বৃদ্ধি কৰা আদি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

তৰ্ক প্ৰতিযোগিতা ঃ ইয়াৰ আগতে অনুষ্ঠিত 'ভাৰতবৰ্ষৰ দৰে অনুন্নত দেশৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে ৰাজহুৱা খণ্ডৰ বিলুপ্তি অপৰিহাৰ্য' তৰ্ক প্ৰতিযোগিতাত অধ্যক্ষতা কৰে জাতীয় বিদ্যালয় আন্দোলনৰ নেতা অধ্যাপক যোগানন্দ বৰাই। বিচাৰকৰ আসন শুৱায় জাতীয় বিদ্যালয় আন্দোলনৰ লগত জড়িত ব্যক্তিদ্বয় অধ্যাপক মাণিক শইকীয়া, অধ্যাপিকা সান্ত্বনা দত্ত শইকীয়া আৰু অধ্যাপক পাৰ্থপ্ৰতীম বৰুৱাই। প্ৰতিযোগিতাৰ শেষত আগবঢ়োৱা নিজৰ বক্তব্যত অধ্যাপক বৰা আৰু অধ্যাপক শইকীয়াই বেংকিং খণ্ডত ব্যক্তিগত তথা বিদেশী পুঁজি বিনিয়োগৰ বিৰোধিতা কৰি তাক জনকল্যাণমুখী কৰি ৰখাত ওপৰত গুৰুত্ব দিয়ে। সদনত গ্ৰহণ কৰা ভোটত ৰাজহুৱাখণ্ডৰ সপক্ষবাদীসকলে বিপুল বিজয় লাভ কৰে। ✪

## ৰাজহুৱা খণ্ডৰ বেংকবিলাকৰ পৰা টকা আত্মসাৎ কৰা অসমৰ কেইটামান ব্যৱসায়িক গোষ্ঠী

| | | | | | |
|---|---|---|---|---|---|
| BajrangTeaMfg.Co.Ltd. | 1.01 | Crores | SuperPackaging | 1.00 | Crores |
| D.S.KothariPLtd. | 22.18 | Crores | SumsunTea | 1.42 | Crores |
| DynastyWalfordLtd. | 2.39 | Crores | SaharlaKrishiBhawan | 1.63 | Crores |
| GirdharilalSardarmal | 1.20 | Crores | Rozeindia | 7.20 | Crores |
| KotharyTradingCompany | 2.51 | Crores | RockmansPlyPvt.Ltd | 1.90 | Crores |
| KotharyVegetableProducts | 16.74 | Crores | NationalPlywood | 6.28 | Crores |
| MahalChandMotilalKothary | 2.96 | Crores | NarottamUdyog | 1.64 | Crores |
| MahalChandMotilalKotharyP.Ltd | 21.39 | Crores | MeerlessSteel | 1.40 | Crores |
| NauratanmalNirmalKumar | 1.88 | Crores | KudaWoodProducts | 1.20 | Crores |
| Raj&Company | 3.45 | Crores | KejriwalPolypacks | 3.51 | Crores |
| SampatIndustrial&Const. | 24.20 | Crores | KarbiAnglongChemicals | 5.00 | Crores |

এনেদৰে ভাৰতৰ ৰাজহুৱা খণ্ডৰ বেংকৰ পৰা ৮০,২৪৬.৪৬ কোটি টকা আত্মসাৎ কৰা ধুৰন্ধৰহঁতক ৰাজহুৱা শাস্তি বিহক। ✪

## আত্মসহায়ক গোটৰ কাম-কাজ অব্যাহত

(প্ৰতিবেদক ঃ দিপু শইকীয়া)

গোলাঘাট জিলাৰ পংকা অঞ্চলত গঠিত তিনিওটা আত্মসহায়ক গোটৰ কাম-কাজ অব্যাহত আছে। উদাহৰণস্বৰূপে ৰূপালী মহিলা আত্মসহায়ক গোটলৈকে আঙুলিয়াব পাৰি। এই গোটে ইতিমধ্যে A Grading পাবলৈ সক্ষম হৈছে আৰু স্থানীয় উন্নয়ন খণ্ডৰ পৰা ১০,০০০ /- টকাৰ ঋণ পাবলৈও সক্ষম হৈছে। ✪

# এলটিটিই আৰু তামিল আত্মনির্ধাৰণ

## শ্ৰীলংকা ঃ মুছলীম তামিল ঐক্য প্ৰসংগ



মুছলীম বিদ্বেষৰ অভিযোগত পদচ্যুত কাৰিকলন (বাওঁহাতে)

এলটিটিইৰ সৰ্বোচ্চ নেতা ভেলুপিল্লাই প্ৰভাকৰণে যোৱা ৩১ জুলাইত এক আকস্মিক আৰু আশ্চৰ্যকৰ পদক্ষেপৰ জৰিয়তে সংগঠনটোৰ তিনিজন শীৰ্ষ নেতাক নিজৰ বিষয়বাবৰ পৰা অব্যাহতি দিয়ে। তেওঁলোক হ'ল ক্ৰমে কৰিফলন বিচ আৰু থুৰাই। তেওঁলোক আছিল ক্ৰমে পূবৰ বাত্তিকলৱা আৰু আপাৰাই জিলাৰ বিশেষ ৰাজনৈতিক বিষয়া, ৰাজনৈতিক শাখাৰ মুৰব্বী আৰু উপ-মুৰব্বী। এই জ্যেষ্ঠ নেতাসকলক (৫১ বছৰীয়া কাৰিফলন এলটিটিইত আছে ২৩ বছৰ) আঁতৰোৱাৰ প্ৰধান কাৰণ তেওঁলোকৰ মুছলীম-বিৰোধিতা বুলি জনা গৈছে। কাৰিকলনে নিজৰ মুছলীম-বিদ্বেষ লুকাবৰ চেষ্টাও কৰা নাই কোনোদিন। মুছলীমসকলৰ মাটিবোৰ আগতে তামিলৰ আছিল আৰু সেয়েহে তেওঁলোকে এলটিটিইক কৰ দিবই লাগিব - এয়া আছিল কাৰিকলনৰ দাবী। তদুপৰি ১৯৯০ চনত কাত্তানকুডি আৰু এৰাভুৰত সংঘটিত মুছলীম গণহত্যাকাণ্ডকিটাৰ লগতো কাৰিকলন প্ৰত্যক্ষভাৱে জড়িত থকাৰ অভিযোগ আছে। পদচ্যুত তিনিওজনে এলটিটিই আৰু শ্ৰীলংকান মুছলীম কংগ্ৰেছৰ মাজত যোৱা ১৩ এপ্ৰিলত উপনীত চুক্তিখন বিভিন্ন প্ৰকাৰে উলংঘা কৰিছিল বুলিও মুছলীমসকলে অভিযোগ কৰিছিল। সংঠনটোৰ তিনিজন শীৰ্ষনেতাৰ এই অপসাৰণৰ সম্পৰ্কে দুটা ব্যাখ্যা পোৱা যায় ঃ ১। এলটিটিইৰ সৰ্বোচ্চ নেতা প্ৰভাকৰণ তামিল-মুছলীম ঐক্যৰ প্ৰয়োজন সম্পৰ্কে অত্যন্ত সজাগ আৰু তেনে ঐক্যৰ বাটত হেঙাৰ পোতা বাবেই উক্ত তিনিজন শীৰ্ষনেতা পদচ্যুত হৈছে। ই আৰু তাৰ কাৰ্যকৰীকৰণকে সূচায়। ২। প্ৰভাকৰণৰ এয়া কৌশল মাত্ৰ। প্ৰকৃততে এলটিটিই সামগ্ৰিকভাৱেই মুছলীম বিৰোধী আৰু কাৰিকলনহঁতৰ অপসাৰনো এক উপৰুৱা কিটিপহে মাত্ৰ। এই দুটা ব্যাখ্যাৰ কোনটো প্ৰকৃততে সঁচা, সেইটো আমি নিশ্চয় অচিৰেই গম পাম। আগন্তুক কলম্বো-এলটিটিই আলাচনাৰ প্ৰাক্‌মুহূৰ্তত এনে প্ৰশবোৰ আজি কোটিটকীয়া হৈ পৰিছে। ✪

### ফেডাৰেল গাঁথনিৰ আধাৰত সমাধান হ'ব শ্ৰীলংকাৰ তামিল সমস্যা

থাইলেণ্ডৰ চত্তাহিপত যোৱা ১৮ চেপ্তেম্বৰত সামৰণি পৰা ঐতিহাসিক শান্তি সন্মিলনৰ জৰিয়তে শ্ৰীলংকাৰ দুই দশক জোৰা ৰক্তক্ষয়ী নৃগোষ্ঠীগত সংঘাতৰ পৰ্যায়ৰ অৱসানৰ সম্ভাৱনা মূৰ্ত হৈ উঠিছে। ইয়াৰ ফলত এখন ঐক্যবদ্ধ শ্ৰীলংকাৰ ভিতৰতে পৰ্যাপ্ত স্বায়ত্তশাসন সহকাৰে তামিলসকলে বসবাস কৰিব পাৰিব। আমাৰ প্ৰতিবেশী ৰাষ্ট্ৰখনৰ এই নতুন পৰিস্থিতিয়ে ভাৰতবৰ্ষৰ কাশ্মীৰি আৰু নাগা জাতীয় আত্মনিৰ্ধাৰণৰ সংগ্ৰামসমূহৰ সমাধানো এখন ফেডাৰেল ভাৰতৰ ভিতৰতে হ'ব পাৰে বুলি শ্ৰেণীসংগ্ৰামে ইমানদিনে আগবঢ়াই অহা তত্ত্বকে প্ৰতীয়মান কৰিলে। ফেডাৰেল ভাৰতৰ ভিতৰত যদি তেনে আত্মনিৰ্ধাৰণৰ সুযোগ দিয়া নহয়, তেনেহ'লে তাৰ পৰিণতি হ'ব বিচ্ছিন্নতা।

# জিম্বাবুৱেত মুক্তি সংগ্ৰামৰ ৰণদামামা

(প্ৰতিবেদক ঃ অমৃত চেতিয়া)

আফ্ৰিকাৰ দক্ষিণাংশত অৱস্থিত জিম্বাবুৱেত ৰাষ্ট্ৰপতি ৰবাৰ্ট মুগাবেৰ ভূমি সংস্কাৰ নীতিত পশ্চিমীয়া বৰ্ণবাদী তথা সাম্ৰাজ্যবাদী শক্তিসমূহ থৰহৰি কম্পমান। শেহতীয়াকৈ ৰাষ্ট্ৰপতি মুগাবেই শ্বেতাংগ কৃষকসকলৰ কৃষিভূমি ভূমিহীন কৃষ্ণাংগ লোকসকললৈ হস্তান্তৰৰ নিৰ্দেশ জাৰি কৰিছে। ৪,৫০০ শ্বেতাংগ বাণিজ্যিক কৃষকৰ ভিতৰত ২,৯০০ কৃষকক ক্ষতিপূৰণ অবিহনে ভূমি হস্তান্তৰৰ নিৰ্দেশ দিছে। ২০,০০০ সমৰ্থকৰ সহায়ত মুগাবেই ৮ আগষ্টত চৰম সীমা বান্ধি দিছে। এই নিৰ্দেশ অমান্যকাৰী ১৩০ জন শ্বেতাংগ কৃষকক যোৱা তিনি দিনত গ্ৰেপ্তাৰ কৰিছে। ৪,৫০০ জন শ্বেতাংগ কৃষকৰ ভিতৰত পুনৰ ১০৭জনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে বুলি Commercial Farmers Union (CFU) য়ে দাবী কৰিছে।

জিম্বাবেৰ এই ঘটনাপ্ৰবাহে মুগাবেই সমাজবাদৰ সপক্ষে আৰু মুক্ত বজাৰৰ বিপক্ষে দৃঢ় পদক্ষেপ লোৱাৰেই ইংগিত বহন কৰিছে। মুগাবে নেতৃত্বাধীন আফ্ৰিকা নেচনেল ইউনিয়ন-পপুলাৰ ফ্ৰণ্টে (ZANU-PF) সমগ্ৰ আফ্ৰিকা জুৰি শ্ৰেণীসংগ্ৰাম, বৰ্ণবাদ বিৰোধী সংগ্ৰাম তথা ঔপনিৱেশিকতা-বিৰোধী সংগ্ৰামক ত্বৰান্বিত কৰাৰেই ইংগিত বহন কৰিছে। ✪

মাৰ্কিন সাম্ৰাজ্যবাদৰ কদাকাৰ, দানৱীয় ৰূপ।

কিন্তু আশ্চৰ্যকৰভাৱে সঠিক নেতৃত্ব আৰু সঠিক ৰাজনীতিৰে উদ্বুদ্ধ হৈ ইৰাকী জনগণে এই প্ৰতিটো কৰুণ মৃত্যুকে পৰিণত কৰিছে অপৰিমেয় ক্ৰোধত, জেদত। সেয়েহে আজিৰ তাৰিখতে আমি অনায়াসে ভৱিষ্যৎবাণী কৰিব পাৰোঁ যে ইৰাক আক্ৰমণ কৰিবলৈ আমেৰিকা আহিব পাৰিব, ঘূৰি যাব নোৱাৰিব।'

এই ভৱিষ্যৎবাণীৰ আঁৰত আমাৰ বহু বলিষ্ঠ যুক্তি আছে। বহু বাওঁপন্থীয়ে ভবাৰ দৰে আজিৰ পৃথিৱী মুঠেও একমেৰুবিশিষ্ট (unipolar) নহয়। চোভিয়েট সামাজিক সাম্ৰাজ্যবাদ আৰু মাৰ্কিন সাম্ৰাজ্যবাদ - এই দুই মেৰুত বিভক্ত পৃথিৱী চোভিয়েটৰ পতনৰ পাছত হঠাৎ একমেৰুবিশিষ্ট হ'ল - এয়া সুবোধ বালকৰ 'দুইৰ এক গ'লে থাকিল এক' ধৰণৰ সৰল অংক। কিন্তু পৃথিৱীৰ আৰ্থ-ৰাজনীতি তাতকৈ বহু জটিল। চোভিয়েটৰ পতনেই আমেৰিকাকো অতি বৃহৎ শক্তিৰ স্থিতিৰ পৰা নমাই আনিলে কাৰণ আগ্ৰাসী চোভিয়েটৰ পৰা বাচিবলৈ পশ্চিম ইউৰোপৰ নাটোভুক্ত দেশবোৰে আমেৰিকাক তোয়াক্কা কৰাৰ প্ৰয়োজন আৰু নহিকিয়া হ'ল। কেৱল সিমানেই নহয়, ১৫ খন দেশেৰে ঐক্যবদ্ধ বৃহৎ শক্তি ইউৰোপ অচিৰেই থিয় হ'ল আমেৰিকাৰ এক প্ৰধান প্ৰতিদ্বন্দ্বীৰূপে, ইউৰোপ, ৰাচিয়া, (চীন) জাপান আদি বৃহৎ শক্তিবোৰো আজি বহুমেৰুবিশিষ্ট পৃথিৱীৰ এক এক মেৰু। এক দশক আগতে আমেৰিকাই ইৰাক আক্ৰমণ কৰোঁতে সমগ্ৰ সাম্ৰাজ্যবাদী শিবিৰ প্ৰায় একত্ৰিত হৈ তাক সমৰ্থন কৰিছিল। কিন্তু আজি সেই ৰামো নাই, সেই অযোধ্যাও নাই। আমেৰিকাৰ সম্ভাব্য ইৰাক আক্ৰমণৰ বিৰুদ্ধে ৰাচিয়া, চীন, ফ্ৰান্সে ইতিমধ্যে হুংকাৰ দিছেই। ৰাচিয়াই নিৰাপত্তা পৰিষদত ইয়াৰ বিৰুদ্ধে ভেটো দিব বুলি কৈছে। তাৎপৰ্যপূৰ্ণভাৱে কানাডায়ো আমেৰিকাৰ ইৰাক আক্ৰমণৰ পৰিকল্পনাৰ বিৰোধিতা কৰিছে আৰু এনে আক্ৰমণত কানাডাই ভাগ নলয় বুলি ঘোষণা কৰিছে। এনেকৈ সমগ্ৰ ইউৰোপৰ পূৰ্বৰ মিত্ৰশক্তিৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে আমেৰিকা। একমাত্ৰ ইংলেণ্ডৰ চৰকাৰে বিশ্বস্ত পদলেহীৰ দৰে আমেৰিকাৰ পক্ষে ৰাউচি জুৰিলেও ইংলেণ্ডতো এনে আক্ৰমণৰ বিৰুদ্ধে প্ৰবল জনমত গঢ়ি উঠিছে। শ্ৰেণীসংগ্ৰামৰ যোৱা আগষ্ট সংখ্যাত আমি দেখুৱাইছিলো যেনেকৈ ব্ৰিটিছ গীৰ্জাই (আনকি প্ৰধানমন্ত্ৰী টনি ব্লেয়াৰ যি গীৰ্জাৰ শিষ্য, সিও) ইৰাকৰ লগত যুদ্ধৰ বিৰোধিতা কৰিছে। আজি সেই বিৰোধিতা আৰু গভীৰ আৰু ব্যাপক হৈছে। বহু সংখ্যক সাংসদে দাবী কৰিছে প্ৰস্তাৱিত যুদ্ধ সম্পৰ্কে আলোচনা কৰিবলৈ সংসদৰ বিশেষ অধিৱেশন মাতিবলৈ। টনি ব্লেয়াৰে সেই দাবী অস্বীকাৰ কৰিলেও সংসদৰ প্ৰাক্তন অধ্যক্ষই অনানুষ্ঠানিকভাৱে সমান্তৰাল সংসদ মাতিবলৈ লৈছে, যাৰ ফলত আমেৰিকাৰ এই লিটিকাই ৰাষ্ট্ৰখনতো গভীৰ বিভাজন দেখা গৈছে।

সাম্ৰাজ্যবাদী শিবিৰৰ এই সুগভীৰ আন্তঃবিভাজনৰ উপৰিও খোদ আমেৰিকাৰ ভিতৰতে আজি যুদ্ধ বিৰোধী ক্ষোভ মাৰ বান্ধি উঠিছে। চৰম সোঁপন্থী তেল লবী আৰু অস্ত্ৰ লবীক বাদ দি সমাজগণতন্ত্ৰীসকলে পৰ্যন্ত যুদ্ধৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি হেনৰী কিচিঞ্জাৰে যুদ্ধৰ বিৰোধিতা কৰিছে, পৰোক্ষভাৱে বিল ক্লিণ্টনেও বিৰোধিতা কৰিছে। আনকি জৰ্জ বুশ্বৰ উপদেষ্টায়ো যুদ্ধৰ প্ৰতি বিৰোধিতা ব্যক্ত কৰিছে। ইয়াৰ ফলত মাৰ্কিন শাসকশ্ৰেণী আজি উলঙ্গ বিভাজনৰ সন্মুখীন হৈছে।

ইয়াৰ বিপৰীতে আমেৰিকাৰ পৰম-মিত্ৰ চৌদি আৰব, পাকিস্তান আদিয়েও খোলাখুলিকৈ ইৰাক আক্ৰমণৰ সমৰ্থন কৰিব পৰা নাই। সমগ্ৰ আৰব দুনিয়াৰ জনগণ লৌহ দৃঢ় একতাৰে ইৰাকৰ সপক্ষে থিয় দিছে। সমগ্ৰ বিশ্বৰ শান্তিপ্ৰিয়াসী, যুদ্ধ-বিৰোধী জনগণেও আজি সঠিকভাৱে পক্ষ বাচি ল'ব ধৰিছে। আফগানিস্তানৰ ক্ষেত্ৰত ওমৰ-লাডেনহঁতক মৌলবাদী, ধৰ্মান্ধ বুলি আখ্যা দি যিসকল 'বাওঁ' বুদ্ধিজীৱীয়ে আমেৰিকাৰ ফালে হাউলিছিল, ইৰাক আক্ৰমণৰ প্ৰশ্নত তেওঁলোকেও আমেৰিকাৰ পক্ষ ল'বলৈ লাজ কৰিছে।

সেয়েহে শ্ৰেণীসংগ্ৰামৰ মতে এয়াই সময়, সাম্ৰাজ্যবাদী শিবিৰৰ প্ৰবলতম পাৰস্পৰিক দ্বন্দ্বৰ উপৰিও এহাতেদি বাহ্যিক ক্ষেত্ৰত আমেৰিকাৰ সম্পূৰ্ণ বিচ্ছিন্ন অৱস্থা আৰু আভ্যন্তৰীণ ক্ষেত্ৰত তাৰ শাসক শ্ৰেণীৰ আন্তঃবিভাজনৰ এই মুহূৰ্তত ইৰাকৰ পক্ষে বলিষ্ঠভাৱে থিয় দি সাম্ৰাজ্যবাদৰ সমাধি খন্দাৰ ঐতিহাসিক দায়িত্ব পালন কৰোঁ আৰু সমস্বৰে কওঁ আহক।

ইৰাক হওক মধ্যপ্ৰাচ্যৰ ভিয়েটনাম। ✪

---

আন্তৰ্জাতিক

## 'পৃথিৱীখন একমেৰু বিশিষ্ট নহয়!' ... বহুমেৰু বিশিষ্ট বিশ্বত সুগ্ৰীৱলৈ নিক্ষেপিত বালিৰ শৰ

# এইবাৰ ইউৰোপীয়ান নিষেধাজ্ঞাৰ সন্মুখত আমেৰিকানহঁত

ভাৰত তথা পৃথিৱীৰ বেছিভাগ বাওঁপন্থী দলে চোভিয়েট ইউনিয়নৰ পতনৰ পাছত পৃথিৱীখনক একমেৰু বিশিষ্ট বুলি আখ্যা দিছিল। ইয়াৰ অৰ্থ হ'ল পৃথিৱীত এতিয়া এটাই অতিবৃহৎ শক্তি আছে, আৰু সেয়া হ'ল আমেৰিকা। ইয়াৰ বিপৰীতে শ্ৰেণীসংগ্ৰাম তথা পিচিচি, চিপিআই (এম-এল)ৰ বিশ্লেষণ হ'ল বিশ্বত আজিৰ তাৰিখত কোনো অতিবৃহৎ শক্তি নাই, আছে কেইটামান বৃহৎ শক্তি। সেইবোৰ হৈছে আমেৰিকা, ইউৰোপ, ৰাচিয়া, চীন-জাপান ইত্যাদি। আৰু এই বৃহৎ শক্তিবোৰক কেন্দ্ৰ কৰি পৃথিৱীখন আজি বহুমেৰুত বিভক্ত হৈ পৰিছে। ইহঁতে পৰস্পৰৰ লগত বিভিন্ন সময়ত মিত্ৰতাত আবদ্ধ হ'ব পাৰে, কিন্তু কোনেও কাৰো বশ মনাত নাই। আমি ইয়াকো কৈ আহিছোঁ যে পৃথিৱীৰ ভোগদখলক লৈ এই বহুমেৰুবিভক্ত সাম্ৰাজ্যবাদী শিবিৰৰ মাজত দ্বন্দ্ব আছে আৰু এই দ্বন্দ্ব তীব্ৰৰ পৰা তীব্ৰতৰ ৰূপ ধাৰণ কৰিবলৈ লৈছে। তলৰ ঘটনাটোৱে (লগতে ইৰাক সংক্ৰান্ত লাইন লৈ মাৰ্কিন / ইউৰোপীয়ান বিবাদৰ দৰে আন বহু ঘটনাই - *এই সংখ্যাৰ সম্পাদকীয় চাওক*) সেই বহুমেৰুবিভাজনৰ স্পষ্ট প্ৰমাণ দিয়ে।

যোৱা ৩০ আগষ্টত বিশ্ববাণিজ্য সংস্থাই এই ৰায় দিয়ে যে মাৰ্কিন কোম্পানীবোৰে দিয়া অবৈধ কৰফাঁকিৰ প্ৰতিশোধৰূপে সিবিলাকৰ ওপৰত ইউৰোপীয়ান ইউনিয়নে ৪০০ কোটি ডলাৰৰ জৰিমনা জাৰি কৰিব পাৰে। উল্লেখযোগ্য যে ১৯৯৫ চনৰ জানুৱাৰীত বিশ্ববাণিজ্য সংস্থা গঠনৰ পাছত এইটোৱেই প্ৰতিশোধ পৰায়ণ বাণিজ্যিক নিষেধাজ্ঞাৰ বৃহত্তম অভিলেখ। ৪০০কোটি ডলাৰৰ এই জৰিমনাৰ পৰিমাণটো ১৫খন দেশ অন্তৰ্ভুক্ত থকা ইউৰোপীয়ান ইউনিয়নৰ কোম্পানীবোৰে সন্মুখীন হোৱা ক্ষতিৰ ওপৰত ভিত্তি কৰি হিচাব কৰি উলিওৱা হৈছে। উল্লেখযোগ্য যে মাইক্ৰ'চফ্ট, বয়িং আদি দৈত্যকায় মাৰ্কিন কোম্পানীবোৰক দিয়া হোৱা বিবদমান কৰ ৰেহাইৰ ক্ষতিপূৰণৰ বাবেই এই ব্যৱস্থা লোৱা হৈছে। এই ব্যৱস্থা আৰু অধিক তাৎপৰ্যপূৰ্ণ হৈ পৰিছে এই কাৰণেও যে স্বয়ং মাৰ্কিন ৰাষ্ট্ৰপতি বুশ্বে এই প্ৰতিশোধমূলক ব্যৱস্থা গ্ৰহণ নকৰিবৰ বাবে বিশ্ব বাণিজ্য সংস্থাক কাকুতি কৰি কৈছিল যে ভৱিষ্যতে আমেৰিকাই সংস্থাটোৰ সকলো নিয়ম-নীতি মানি চলিব। সেই আবেদন অগ্ৰাহ্য কৰি সংস্থাই এই শাস্তিমূলক ব্যৱস্থাত অনুমোদন জনোৱা কাৰ্যই সাম্ৰাজ্যবাদী শিবিৰৰ মাজৰ সুগভীৰ বিভাজনকে সূচালে। ✪

যুৱ-দৰ্পণ

## ‘আহাঁ যুৱক-যুৱতীসকল, তোমালোক, পুৱা আঠ-ন বজাৰ সূৰ্য!’

এইবাৰ শৰতৰ উদ্দীপ্ত আহ্বান

# সদৌ অসম ভিত্তিত একলব্য যুৱ সমাৰোহ

## ১৮ অক্টোবৰ, ০২ৰ পৰা!

একলব্য যুৱ সমাৰোহ

শ্ৰদ্ধেয় ৰাইজ,

চৌদিশে আজি ঘনঘোৰ অন্ধকাৰ। হতাশা আৰু নিৰাশাৰ কলীয়া ডাৱৰ। অভাৱ-অনাটন, অন্যায়-অত্যাচাৰত ভাৰাক্ৰান্ত জনজীৱন। দোকমোকালিৰ সূৰুয-যেন ডেকা-গাভৰুহঁত আজি যেন কোনো দুষ্ট ৰাহু-কেতুৰ কৰাল গ্ৰাসত। দেশ তথা জাতিৰ সন্মুখত দেখা দিয়া এই দুৰ্দিনক সুদিনত পৰিণত কৰাৰ কঠোৰ কঠিন সংকল্প লৈ আজি জাকে-জাকে আহিছে ওলাই ন-মানুহৰ দল। সিহঁতৰ খোজৰ ভৰত পৃথিৱী কঁপিছে, সিহঁতৰ বজ্ৰকণ্ঠত ৰজনজনাইছে আকাশ-বতাহ। এয়া দলদোপ্-হেন্দোলদোপ্ কৰি সিহঁত আহি আছে আৰু আহি আছে ...। আকাশৰ বিজুলী আঁজুৰি আনি অমানিশাৰ আন্ধাৰ ফালি পৃথিৱী উজ্জ্বলোৱাৰ বাবে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি যোৰহাটত সমবেত হোৱা এই নতুন প্ৰমিথিউচহঁতক আপুনিও ওলগ জনাওক, আশিস্ দিয়ক, বুকুৱে বুকুৱে বিয়পাওক সূৰ্য-প্ৰতিজ্ঞা। কাৰণ আমি জানো, জ্যোতিপ্ৰসাদৰ দৰে, একলব্যৰ দৰে আপুনিও বিশ্বাস কৰে যে - **‘ৰূপান্তৰেহে মাথোঁ জগত থুনীয়া কৰে ...’**


## একলব্য যুৱ-সমাৰোহৰ উদ্দেশ্য

- কানিয়া, এলেহুৱা, কেলেহুৱা, উজুতিত পৰি মৰা নিৰুৎসাহীৰ দল নহয়; শাৰীৰিক আৰু মানসিকভাৱে সক্ষম, সুস্থ-সবল পাহুৱাল ডেকা-গাভৰুৰ দল গঢ়া।
- গঢ়া আৰু পঢ়া; অৰ্থাৎ আজি গোলকীকৰণৰ ফলত উচ্চশিক্ষা নিষিদ্ধ হ’বলৈ ওলোৱা সময়তো জ্ঞানাৰ্জনৰ অধিকাৰ সাব্যস্ত কৰা।
- ‘য়ে দিল মাংগে MORE’ - মাৰ্কা **হিংৰাজী** (হিন্দী-ইংৰাজী খিচিৰি) অপসংস্কৃতি নহয়, উগিবুগি মাৰ্কা বান্দৰালি নহয়; জাতীয় সংস্কৃতিক ভিত্তি কৰি সৃষ্টিশীল, প্ৰাণপ্ৰাচুৰ্যৰে ভৰপূৰ নতুন সুঠাম সংস্কৃতি গঢ়া।
- বিশ্ববেংক, আই.এম.এফে আজি বিশ্বজুৰি চাকৰি-বাকৰিত নিযুক্তি বন্ধ কৰি দিয়া সময়ত, লাখ-লাখ শ্ৰমিক-কৰ্মচাৰীক চাকৰিৰ পৰা ছাটাই কৰি দিয়া সময়ত মাটি-ভেটি বন্ধকত দি দালালৰ ওচৰত সৰ্বস্বান্ত নহৈ, আত্ম-সহায়ক গোট গঠনৰ জৰিয়তে আত্মনিৰ্ভৰশীল নতুন অৰ্থনীতি গঢ়ি তোলা।
- শিক্ষাৰ সুযোগ-বঞ্চিত, নিয়োগৰ সম্ভাৱনা-ৰহিত হৈ মদ-ভাং-ড্ৰাগছ্-ব্লুফিল্মত আত্মহাৰা নহৈ, হতাশাত আত্মঘাতী নহৈ দেশ তথা জাতিৰ হকে উছৰ্গিতপ্ৰাণ প্ৰত্যয়দীপ্ত নতুন মানুহৰ দল গঢ়ি তোলা।

## ১৮ অক্টোবৰৰ পৰা শুভাৰম্ভ হ’ব লগা একলব্য যুৱ সমাৰোহৰ কাৰ্যক্ৰমণিকাৰ এটি ৰেঙণিঃ

যোৰহাটৰ লগতে অসমৰ বিভিন্ন অঞ্চলৰ কমপক্ষেও ৪০০ যুৱক-যুৱতী যোৰহাটত তিনিদিনৰ বাবে সমবেত হৈ বিভিন্ন সাংস্কৃতিক (*ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ প্ৰতিনিধিত্বমূলক তথা বলিষ্ঠ বক্তব্য-বহনকাৰী দলীয় আৰু একক নৃত্য-গীত, ব্যংগচিত্ৰ; চিত্ৰকলা, আবৃত্তি আদি*), ক্ৰীড়া (*মাৰ্চিয়েল আৰ্ট, এথলেটিকচ্, টাগ্ অব্ ৱাৰ, কাবাডি আদি*), সাহিত্য আদি বিভিন্ন দিশৰ প্ৰতিযোগিতা তথা প্ৰদৰ্শনমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব। দেশৰ ভয়াবহ পৰিস্থিতিৰ সৈতে সংগতি ৰাখি অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি বিষয়ৰ অন্তৰংগ আলোচনাদিৰ মাজেৰে সমস্যাসমূহৰ এক স্থায়ী সমাধানৰ বাবে দীৰ্ঘম্যাদী আঁচনি তথা কাৰ্যক্ৰমণিকা যুগুত কৰা হ’ব। লগতে এক অৰ্থপূৰ্ণ বৰ্ণাঢ্য শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী আদিৰ কাৰ্যসূচীও হাতত লোৱা হৈছে।

Regn.No.N3359/79



# একলব্যৰ ৩৩ কিঃমিঃ জোৰা অবিৰাম দৌৰযাত্ৰা

(প্ৰতিবেদক ঃ ৰেখামণি বৰুৱা, পংকজ ভৰালী)

যোৰহাট, ৩০ আগষ্ট ঃ অহা শাৰদীয় বতৰত আয়োজিত ৰাজ্যিক ভিত্তিত যুৱ সমাৰোহৰ বাৰ্তা বহন কৰাৰ উদ্দেশ্যেৰে দুই শতাধিক যুৱক-যুৱতী তথা মহাবিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠ নাগৰিকৰ অংশগ্ৰহণেৰে একলব্য একাডেমীয়ে আয়োজন কৰা ৩৩ কিঃমিঃ জোৰা এক অবিৰাম দৌৰ কাৰ্যসূচীয়ে আজি নগৰখনত আলোড়ণ তোলে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শত শত যুৱক-যুৱতীয়ে অংশ ল'ব লগা উক্ত যুৱ-সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ সভাপতি ড০ বেণু গগৈ আৰু উপদেষ্টা প্ৰতাপ গোস্বামীৰ আহ্বানক্ৰমে পতাকা জোকাৰি যাত্ৰাৰম্ভ কৰে শংকৰদেৱ বঁটা বিজয়ী মুক্তিযোদ্ধা সোণাৰাম চুতীয়াই। তেখেতে প্ৰথম দৌবোঁতা অৰ্পিতা হাজৰিকাৰ হাতত বাৰ্তা প্ৰদান কৰাৰ লগে লগে আৰম্ভ হোৱা এই দৌৰত অংশগ্ৰহণ কৰে ক্ৰমে - প্ৰজ্ঞাসপ্ৰাণ হাজৰিকা, নৱমল্লিকা বৰুৱা, প্ৰিয়ংকা খাউণ্ড, পুলক গগৈ, সুনীল কুমাৰ বৰা, সূৰয শইকীয়া, ৰীতা দত্ত, দীপাংকৰ বৰা, মহেশ দিহিঙ্গীয়া, কনচেং বৰুৱা, মানসপ্ৰতীম দত্ত, পংকজ বৰা, পংকজ ভড়ালীয়ে। এই দৌৰ যাত্ৰাই জনমভূমি প্ৰেছৰ সম্মুখেদি মালৌআলি, দৰঙীচুক, মাছৰহাট, মিলননগৰ, মাৰোৱাৰী পট্টি, এ.টি.ৰ'ড, গড়আলি, বাঁহবাৰী, ন-আলি, আতিলাগাঁও, কুশলনগৰ - কাকতিগাঁও, এ.টি.ৰ'ড, জে.বি.ৰ'ড, তৰুণৰাম ফুকন পথ হৈ নিজৰ কাৰ্যালয়লৈ ঘূৰি আহোঁতে পথৰ দুয়োকাষে হেজাৰ বিজাৰ ৰাইজে তেওঁলোকক আশীৰ্বাদ আৰু শুভেচ্ছা যাছে। শাৰীৰিকভাৱে সক্ষম, সাংস্কৃতিকভাৱে ৰুচিৱান, অৰ্থনৈতিকভাৱে স্বনিৰ্ভৰশীল নতুন মানুহ নিৰ্মাণৰ উদ্দেশ্যেৰে হ'ব লগা যুৱ সমাৰোহৰ বাৰ্তা বহনকাৰী অন্তিম দৌবোঁতা প্ৰান্তু দত্তৰ পৰা এই বাৰ্তা গ্ৰহণ কৰি অভ্যৰ্থনা সমিতিৰ মুখ্য উপদেষ্টা অধ্যাপক যোগানন্দ বৰাই যুৱ-সমাৰোহ সফল কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দৌৰত চাহ জনজাতি ছাত্ৰ সংস্থা, গণ নাট্য সংঘ, প্ৰগতি সমাজ, ৰামধেনু যুৱ সমাজ, প্ৰেৰণা সাংস্কৃতিক গোষ্ঠী, শিখ য়ুথ ক্লাব আদি অনুষ্ঠানে সহযোগ কৰে।

## বিনামূলীয়া চশমা, সুলভমূল্যৰ পাঠ্যপুথি কেন্দ্ৰ উদ্বোধন

যুৱ ছাত্ৰ অনুষ্ঠান একলব্য একাডেমীৰ মুখ্য কাৰ্যালয়ত যোৱা ১৭ আগষ্টত পুৰণা চচমা বিতৰণ কেন্দ্ৰ আৰু পুৰণা কিতাপ বিক্ৰী কেন্দ্ৰ দুটা উন্মোচন হৈ যায়। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ বেণু গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত চচমা কেন্দ্ৰটো উন্মোচন কৰে বিশিষ্ট চকু চিকিৎসক তথা সমাজকৰ্মী ড০ নাৰায়ণ বৰদলৈয়ে। আৰু কিতাপ বিক্ৰী কেন্দ্ৰটো উন্মোচন কৰে বিশিষ্ট অৰ্থনীতিবিদ তথা ইষ্টাৰ্ণ ক্লেৰিয়ণৰ ভূতপূৰ্ব সম্পাদক ড০সুনীল কুমাৰ শৰ্মাদেৱে। দুয়োজন ব্যক্তিয়েই একাডেমীৰ এনে অগতানুগতিক কাৰ্যৰ প্ৰশংসা কৰে। লগতে কয় যে এনে কাৰ্য সাধাৰণ জনসাধাৰণৰ মাজলৈ লৈ যোৱাটো বৰ্তমান সামাজিক পৰিস্থিতিৰ বাবে গুৰুত্বপূৰ্ণ। একাডেমীৰ সদস্য-সদস্যাসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাত একাডেমীৰ মুখ্য উপদেষ্টা ড০ দেৱব্ৰত শৰ্মায়ো বৰ্তমানৰ একাংশ যুৱসমাজৰ মাজত উগি-বুগি নৃত্যৰ দৰে অপ-সংস্কৃতিৰ বিপৰীতে এনে কাৰ্যক এক আশাৰ ৰেঙণি বুলি কয়। সভাত নাট্যকাৰ শিল্পী দেৱব্ৰত মহন্ত, সমাজকৰ্মী ৰাতুল কুমাৰ দাস, অধ্যক্ষা সান্ত্বনা শৰ্মাৰ আদি ব্যক্তিসকলো উপস্থিত থাকে। (এই অনুষ্ঠানৰ কিছুদিনৰ পিছতেই, যোৱা ৭চেপ্তেম্বৰত মৃত্যু ঘটা ড০ সুনীল কুমাৰ শৰ্মাৰ প্ৰতি একাডেমীয়ে শ্ৰদ্ধা নিবেদন কৰিছে ) ✪



ভাস্কৰ নন্দীৰ দ্বাৰা সম্পাদিত আৰু ব্ৰজেন মহন্তৰ দ্বাৰা লিপি অফচেট, যোৰহাটত মুদ্ৰিত,প্ৰকাশিত।